# Course 506

# শিক্ষাত লিংগ সমস্যা

ব্লক - 4

গোট - 11



টোকা

## গোট - 11 ঃ শিক্ষাত লিংগ সমস্যা

# গাঁথনি


11.0 পাতনি

11.1 শিকন উদ্দেশ্য

11.2 লিংগৰ ধাৰণা

- 11.2.1 যৌনতা আৰু লিংগৰ পাৰ্থক্য
- 11.2.2 ব্যক্তিৰ জৈৱিক আৰু লিংগীয় বৈশিষ্ট্য
- 11.2.3 সামাজিক সাংস্কৃতিক গাঁথনি হিচাপে লিংগ

11.3 লিংগ বৈষম্যতা

- 11.3.1 বৈষম্যতাৰ অৰ্থ আৰু লিংগ বৈষম্য
- 11.3.2 লিংগ বৈষম্যতাৰ উৎস আৰু ধৰণ
- 11.3.3 লিংগ বৈষম্যতাৰ কাৰণ
- 11.3.4 লিংগ বৈষম্যতাৰ মূল আৰু ইতিহাস

11.4. লিংগৰ অৱস্থান নিৰ্দেশক

- 11.4.1 যৌনতা অনুপাত
- 11.4.2 শিক্ষা
- 11.4.3 স্বাস্থ্য
- 11.4.4 মানৱ সম্পদত অংশ গ্ৰহণ
- 11.4.5 নৃশংস আইন আৰু অপৰাধ
- 11.4.6 বৈষম্যতা দূৰীকৰণ
- 11.4.7 শ্ৰেণীকোঠাত লিংগ বৈষম্যতা
- 11.4.8 লিংগ বৈষম্যতা মুক্ত সমাজ গঠনত শিক্ষকৰ ভূমিকা

11.5. সংক্ষিপ্তাৱলী

11.6 আপোনাৰ অগ্ৰগতি পৰীক্ষাৰ বাবে উত্তৰ কৰক

11.7 প্ৰকল্প কাৰ্য আৰু প্ৰশ্ন

11.8 পঠনৰ আভাস আৰু উল্লেখ

11.9 গোটৰ অন্তৰ অনুশীলন



টোকা

## 11.0 পাতনি ঃ

আগৰ গোটসমূহত আপোনালোকে বিভিন্ন সমস্যা জৰ্জৰিত শ্ৰেণীসমূহ আৰু তাৰ সমস্যাসমূহৰ বিষয়ে অধ্যয়ন কৰি আহিছে। শিক্ষকসকলে মনোনিৱেশ কৰিবলগীয়া আন এক সমস্যা জৰ্জৰিত শ্ৰেণী হৈছে ছোৱালী আৰু মহিলাসকল। সমাজ, জাতি আৰু বিশ্বৰ সকলো সুস্থ চিন্তাৰ মানুহৰ বাবেই ই এক ডাঙৰ চিন্তাৰ বিষয়। মহিলাই সন্মুখীন হোৱা সমস্যাবোৰ প্ৰত্যেকৰে সুকীয়া সুকীয়া। সেয়েহে এইবোৰ পৃথকে পৃথকে আলোচনা কৰাটো প্ৰয়োজনীয়। আমাৰ পৰিয়াল, সমাজ আৰু জাতিটোক ক্ৰমান্বয়ে অধিক উন্নত, মানৱীয় আৰু ন্যায় সংগত কৰিবলৈ এই সমস্যাসমূহৰ ওপৰত মাত মতাটো জৰুৰী। এনে কৰ্মৰ, জাতিৰ সামাজিক, নৈতিক আৰু অৰ্থনৈতিক বিকাশৰ লগত এটা সমালোচনাত্মক সম্পৰ্ক আছে। এই গোটত আমি পুৰুষ মহিলাৰ অসমতা, তাৰ কাৰণ আৰু ধৰণবোৰ বুজিব পাৰিম। পুৰুষ মহিলাৰ বাবে সম আৰু নিৰপেক্ষ সমাজ সৃষ্টি কৰিবলৈ লোৱা বিভিন্ন উদ্যমী পদক্ষেপবোৰো আলোচনা কৰা হ'ব। পুৰুষ মহিলাৰ উভয়ৰে উত্তৰণৰ বাবে, সমান সুবিধা আৰু সমমৰ্যাদা তথা সম ব্যৱহাৰযুক্ত সৃষ্টিত শিক্ষক আৰু বিদ্যালয়ৰ ভূমিকা আলোচনা কৰা হ'ব।

## 11.1 শিকনৰ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়নৰ কৰাৰ পিছত আপুনি জানিবলৈ সমৰ্থ হ'ব—

- যৌনতা আৰু লিংগৰ পাৰ্থক্যসমূহৰ বৰ্ণনা দিয়া
- জৈৱিক আচৰণ আৰু লিংগীয় আচৰণৰ উদাহৰণসমূহৰ উল্লেখ
- দিয়া উক্তিসমূহ যৌনতা সম্পৰ্কীয় নে লিংগ সম্পৰ্কীয় শ্ৰেণী বিভক্ত কৰা
- ল'ৰা আৰু ছোৱালীৰ প্ৰধান সামাজিক আৰু সাংস্কৃতিক আচৰণবোৰ তালিকাভুক্ত কৰা
- লিংগ বৈষম্যৰ অৰ্থ আৰু কাৰণসমূহ বৰ্ণনা কৰা
- লিংগ বৈষম্যৰ বিৰোধিতা কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কত যুক্তি দৰ্শোৱা
- আমাৰ সমাজত চলি থকা লিংগ বৈষম্যৰ বৰ্ণনা/যুক্তি/কাৰণসমূহ দিয়া
- লিংগ বৈষম্য মুক্ত সমাজ গঠনৰ বাবে শিক্ষকৰ ভূমিকা বৰ্ণনা কৰা

## 11.2 লিংগৰ ধাৰণা ঃ

### 11.2.1. যৌনতা আৰু লিংগৰ পাৰ্থক্য

আপোনালোকে লিংগ (Gender) শব্দটোৰ বিষয়ে শুনিছেনে? কিছু লোকে এই শব্দটো ব্যক্তিৰ যৌনতা (Sex) বুজাবলৈ ব্যৱহাৰ কৰে। যদিও এই শব্দ দুটাৰ অৰ্থৰ ভিন



টোকা

ভিন প্ৰচ্ছায়া আছে। আপুনি যেতিয়া এখন আবেদন-প্ৰ-পত্ৰ পূৰ কৰে, আপোনাক লিংগৰ উল্লেখ কৰিবলৈ দিয়া হয়। আপুনি আপোনাৰ যৌনতা পুৰুষ অথবা মহিলা বুলি চিহ্নিত কৰে। তাৰ মানে এয়ে যে যৌনতাই এজন ব্যক্তি ল'ৰা নে ছোৱালী অথবা পুৰুষ নে মহিলা তাক চিহ্নিত কৰে। এনে ধৰণৰ পৃথকতা, বংশবৃদ্ধিৰ লগত জড়িত শৰীৰৰ বিশেষ অংগৰ ওপৰত আধাৰিত। উদাহৰণ স্বৰূপে মহিলাসকলৰ ইউটেৰাছ (জৰায়ু) থাকে। এয়া তেওঁলোকৰ জৈৱিক অংশ। একেদৰে পুৰুষৰ প্ৰষ্টেট গ্ৰন্থি (Prostate gland) থাকে। এয়া এক পুৰুষ শৰীৰৰ অংগ। এনেদৰেই পুৰুষ আৰু মহিলাৰ শৰীৰৰ পাৰ্থক্য দেখা যায়। এয়া প্ৰকৃতিয়ে, বংশবৃদ্ধি আৰু তাৰ লগত জড়িত কাৰ্য সূচল কৰিবৰ বাবে সৃষ্টি কৰা কিছু প্ৰক্ৰিয়া। গতিকে যৌনতা হৈছে ব্যক্তিৰ জৈৱিক বৈশিষ্ট্য যিয়ে ব্যক্তিক পুৰুষ বা মহিলা কৰিছে।

> যৌনতা (Sex) ই ব্যক্তি এগৰাকী ল'ৰা অথবা ছোৱালী, পুং অথবা স্ত্ৰী, পুৰুষ অথবা মহিলা তাক নিৰ্ণয় কৰে। পুৰুষ আৰু মহিলা এগৰাকীৰ শৰীৰত দেখা পোৱা প্ৰাকৃতিক পাৰ্থক্যৰ ওপৰত এনে বিভাজন আধাৰিত। এনে ধৰণৰ পাৰ্থক্যসমূহ জৈৱিক আৰু স্বাভাৱিকতে সলনি নহয়।

এতিয়া আমাক লিংগ শব্দটো বুজিবলৈ দিয়া হওক। সমাজে ল'ৰা ছোৱালীৰ পৰা ভিন ভিন আচৰণ আশা কৰে। ল'ৰাবোৰ সাধাৰণতে সাহসী আৰু পৰাক্ৰমী হোৱাটো বিচৰা হয়। পুৰুষসকল ঘৰৰ বাহিৰলৈ গৈ কৰ্ম কৰি জীৱিকা অৰ্জন কৰাটো আশা কৰা হয়। পুৰুষ পৰিয়ালৰ জীৱিকা অৰ্জন কৰোতা। মহিলাসকল নম্ৰ আৰু ভীৰু হোৱাটো বিচৰা হয়। তেওঁলোকক গৃহিনী ৰূপে দেখা যায়। এয়া হৈছে এক সামাজিক শৃংখলা, প্ৰাকৃতিক নহয়। সমাজে পুৰুষ আৰু মহিলাৰ বাবে পৃথক পৃথক ভূমিকা (role) নিৰ্দিষ্ট কৰি দিছে। কৰ্মক 'পুৰুষৰ কৰ্ম' আৰু 'মহিলাৰ কৰ্ম' বুলি ভাগ কৰি দেখুৱাইছে, মহিলা আৰু পুৰুষে কৰা কাৰ্যক পৃথকভাৱে মূল্যায়ন কৰিছে আৰু উভয়কে পৃথককৈ বিশেষভাৱে নিৰ্দিষ্ট সুবিধা আৰু দায়বদ্ধতা প্ৰদান কৰিছে। এই বিলাকে পুৰুষ মহিলাৰ ওপৰত ভিন ভিন ধৰণৰ প্ৰতিবাধা আৰোপ কৰিছে।

> (Gender) লিংগ হৈছে সেয়া যিহেৰে আমি ল'ৰা-ছোৱালী গঢ় দিওঁ। আমি তেওঁলোকৰ বিকাশৰ বাবে দিয়া সুযোগ সুবিধাৰ লগত জড়িত। লিংগই তেওঁলোকৰ বিকাশ, সামাজিকীকৰণ, সংস্কৃতি আৰু আমি তেওঁলোকৰ বাবে দিয়া 'আদৰ্শ ব্যক্তিৰ' কাম কৰে। লিংগ হৈছে এনে এটা ধাৰণা যাৰ দ্বাৰা সমাজ আৰু সংস্কৃতিয়ে ব্যক্তিক ল'ৰা আৰু ছোৱালী ৰূপে গঢ় দিয়ে।

সামাজিক চৰ্ত সমূহৰ পৰা উদ্ভৱ হোৱা, পুৰুষ মহিলাৰ ব্যক্তিত্বই হৈছে আমি কোৱা লিংগ।

সেয়েহে লিংগই সেই 'আচৰণ' বা 'ভূমিকা' আৰু কাৰ্যক বুজায়, যিবোৰ এখন সমাজে পুৰুষ আৰু মহিলাৰ পৰা আশা কৰে।

এতিয়া আমি যৌনতা আৰু লিংগৰ প্ৰধান পাৰ্থক্য সমূহ বুজি চাওঁ —

টোকা

| যৌনতা | লিংগ |
|---|---|
| জৈৱিক গঠন | সামাজিক-সাংস্কৃতিক গঠন |
| প্ৰকৃতি সৃষ্ট | সমাজ সৃষ্ট |
| অপৰিবৰ্তনীয় | পৰিবৰ্তনীয় |
| ব্যক্তিগত | পদ্ধতিগত |
| ক্ৰম/স্তৰ বদ্ধ নহয় | ক্ৰম/স্তৰ বদ্ধ হয় |
| পৰিবৰ্তন কৰো বুলি কৰিব নোৱাৰি | পৰিবৰ্তন কৰো বুলিলে পাৰি। |

## 11.2.2. ব্যক্তিৰ জৈৱিক আৰু লিংগীয় আৰোপণ ঃ

**ব্যক্তিৰ জৈৱিক আৰোপণ ঃ** মানুহ সাধাৰণতে পুৰুষ বা মহিলা হৈয়ে জন্ম গ্ৰহণ কৰে। প্ৰকৃতিয়ে মহিলাক গৰ্ভধাৰণ, সন্তান জন্ম দিয়া, স্তন পান কৰোৱাৰ বাবে সুবিধা কৰি দিছে। এইবোৰৰ বাবে কিছু অংগ প্ৰত্যংগৰ প্ৰয়োজন। যিহেতু এনে ধৰণৰ জৈৱিক কৰ্ম পুৰুষৰ বাবে দিয়া হোৱা নাই। সেয়েহে এনেবোৰ অংগ প্ৰত্যংগ পুৰুষৰ ক্ষেত্ৰত নাই। যদিও বংশ বৃদ্ধিৰ বাবে পুৰুষৰ ক্ষেত্ৰত অন্য ধৰণৰ কেতবোৰ অংগ পোৱা যায়। এই পাৰ্থক্য সমূহ প্ৰাকৃতিক। প্ৰজননৰ লগত জড়িত পুৰুষ আৰু মহিলাৰ বিভিন্ন অংগসমূহ চিত্ৰ (1)ত দেখুওৱা হ'ল। চিত্ৰ ভালদৰে পৰ্যবেক্ষণ কৰি পুৰুষ আৰু মহিলাৰ প্ৰজনন অংগসমূহ তালিকাভুক্ত কৰক।




**চিত্ৰ (1) ঃ পুৰুষ আৰু মহিলাৰ শৰীৰৰ অংশৰ পাৰ্থক্য**

পুৰুষ আৰু মহিলাৰ লিংগজনিত পাৰ্থক্য সঠিকভাৱে বুজিবলৈ সততে দেখা কেইটামান উদাহৰণ ধৰা হওঁক। এজন পূৰ্ণাংগ পুৰুষে শুক্ৰাণু উৎপাদন কৰে আৰু য'ত



টোকা

নেকি পূৰ্ণাংগ মহিলাই অণ্ড সৃষ্টি কৰে। ইয়াত সমাজ বা সংস্কৃতিয়ে কৰিবলগীয়া একো নাথাকে। এয়া সম্পূৰ্ণ ৰূপে প্ৰাকৃতিক আৰু জাতিভেদে বা বিভিন্ন সাংস্কৃতিক গোটবোৰত ইয়াৰ কোনো পৰিবৰ্তন নহয়। পুৰুষ মহিলাৰ আন এটা জৈৱিক পাৰ্থক্য হ'ল যে xx যৌন ক্ৰমজমে এজন ব্যক্তিক মহিলা ৰূপে সৃষ্টি কৰে আৰু xy যৌন ক্ৰমজমে পুৰুষ হিচাপে। এগৰাকী মহিলাৰ ইউটেৰাছ থাকে। কিন্তু পুৰুষৰ নাথাকে। এয়া কিয় হয় এতিয়া আপুনি জানে? পুনস্ব, এয়া হৈছে জৈৱিক পাৰ্থক্য। পুৰুষ আৰু মহিলাৰ মাজৰ আৰু কিছু পাৰ্থক্য ধৰা হওঁক —

|  |  |
|---|---|
| 1. কৈশোৰ অৱস্থাত মাত গলগলীয়া/কৰ্কশ হয়।<br>2. মুখমণ্ডলত কেশ গজে (দাড়ি আৰু মোচ)।<br>3. শৰীৰ পেশীযুক্ত হয়।<br>4. ৰজঃ চক্ৰ নাথাকে।<br>অন্যান্য<br>................................ | 1. কৈশোৰ অৱস্থাত মাত মিহি/তীক্ষ্ণ হয়।<br>2. কৈশোৰ অৱস্থাত স্তনদ্বয়ৰ আকাৰ ডাঙৰ হয়।<br>3. শৰীৰ মসৃণ হয়।<br>4. কৈশোৰ অৱস্থাত ৰজঃ চক্ৰ আৰম্ভ হয়।<br>অন্যান্য<br>........................... |

**ব্যক্তিৰ লিংগীয় আৰোপণসমূহ ঃ** ব্যক্তি এগৰাকী পুৰুষ বা মহিলা যি কাৰণে নহওঁক কিয় জৈৱিক পাৰ্থক্যই ব্যক্তিক কোনো সামাজিক কাৰ্যত অংশ গ্ৰহণ কৰা বা সফলতা লাভ কৰাত বাধা হ'ব নোৱাৰে। যদিও জীৱনৰ কিছু কিছু বলয়ত পুৰুষৰ দখল বেছি আৰু আন কিছু বলয়ত মহিলাৰ প্ৰভাৱ বেছি দেখা যায়। কিয় এনে হয়? সমাজে ভাবে যে কিছুমান কাৰ্য মাথো পুৰুষেহে কৰিব লাগে আৰু কিছুমান কাৰ্য কেৱল মহিলাই কৰিব লাগে। উদাহৰণ স্বৰূপে, মহিলাই নাঙল ব্যৱহাৰ কৰি মাটি চহোৱা কাৰ্য কেতিয়াবাহে দেখা পোৱা যায়। বহুলোকে ভাবে যে মাটি চহোৱাটো 'পুৰুষৰ কাম'। একেদৰে, শিশুৰ কাপোৰ বা পৰিয়ালৰ আন মানুহৰ কাপোৰ এজন পুৰুষে ধোৱা খুউব কমেই পৰিলক্ষিত হয়। এইটোক সাধাৰণতে মহিলাৰ কাম বুলি ভবা হয়। সচৰাচৰ ঘৰুৱা কামবোৰ 'মহিলাৰ কাম' হিচাপে গণ্য কৰা হয়। ঘৰৰ বাহিৰৰ যিকোনো কাম সাধাৰণতে ল'ৰা বা পুৰুষে কৰিব লগা বুলি ভবা যায়। আমাৰ বহুতে বাবে যে কষ্টসাধ্য কামবোৰ পুৰুষৰ আৰু সহজসাধ্য কামবোৰ মহিলাই কৰিব লাগে। আমি ৰোগী শুশ্ৰূষা বা শিক্ষকতাৰ দৰে কামৰ বাবে মহিলাক উপযুক্ত বুলি ভাবো। একেদৰে কিছুমান কামৰ বাবে পুৰুষক উপযুক্ত বুলি ভবা হয়। ইয়াত আপোনাৰ মত কি?

পুৰুষ আৰু মহিলাৰ বৈশিষ্ট্য সম্পৰ্কেও আমাৰ কিছু ধাৰণা আছে। ব্যক্তিৰ যৌনতাৰ লগত এই ধাৰণাবোৰৰ কোনো সম্পৰ্ক নাই। এজনৰ যৌনতাৰ ওপৰত ভিত্তি কৰি সমাজে নিৰ্দিষ্ট কিছুমান ভূমিকা, কৰ্ম, বৈশিষ্ট্য আৰু প্ৰত্যাশা আৰোপ কৰে। সমাজে জাপি দিয়া এনেধৰণৰ ভূমিকা, কাৰ্য, বৈশিষ্ট্য আৰু প্ৰত্যাশাৰ পাৰ্থক্যই লিংগজনিত



টোকা

পাৰ্থক্য গঠন কৰিছে। তলৰ উদাহৰণৰ পৰা ইয়াক আমি আৰু স্পষ্টকৈ বুজি পাব পাৰিম।

সমাজে ছোৱালী এজনী মৃদু, ভাল স্বভাৱৰ, নম্ৰ, বাধ্য ইত্যাদি হোৱাটো বিচাৰে। একে সময়তে এজন ল'ৰা দৃঢ়, পৰাক্ৰমী, বলবান ইত্যাদি হোৱাটো বিচাৰে। কিহৰ বাবে আমি ল'ৰা এজনৰ আচৰণ ছোৱালী এজনীতকৈ পৃথক হোৱাটো বিচাৰো? এই পাৰ্থক্য সমূহ প্ৰাকৃতিক নহয়। এইবোৰ সমাজে আৰোপ কৰা। ল'ৰা আৰু ছোৱালীৰ মাজত এই ধৰণৰ পাৰ্থক্য, যিবোৰ প্ৰাকৃতিক নহয়, সেয়াই হৈছে লিংগজনিত পাৰ্থক্য। প্ৰাক শৈশৱ কালত যৌনাংগৰ পাৰ্থক্যৰ বাদে ল'ৰা আৰু ছোৱালী শাৰীৰিক বৈশিষ্ট্যতাত কোনো ধৰণৰ পৃথকতা প্ৰকট নহয়। যদিওবা শাৰীৰিক পাৰ্থক্য সমূহ কন্যাকাল বা যৌৱন প্ৰাপ্তিৰ প্ৰাকক্ষণত স্পষ্ট আৰু দ্ৰষ্টব্য হয়। তাৰোপৰি শিশু এজনৰ যেতিয়া বিকাশ হয়, তেতিয়া তেওঁলোকৰ সামাজিক আৰু মানসিক বৈশিষ্ট্যৰ পাৰ্থক্যবোৰ স্পষ্ট হয়। এনে কিছু বৈশিষ্ট্য তলৰ তালিকাত দিয়া হ'ল।



চিত্ৰ ২ ঃ ল'ৰাৰ খেলা বস্তু হিচাপে বেট আৰু পুতলা গাড়ী, ছোৱালীৰ খেলা সামগ্ৰী পুতলা আৰু পাক ঘৰৰ আচবাব পত্ৰৰ নমুনা।

| উপাদান | পুৰুষ | মহিলা |
|---|---|---|
| **যৌনতা** | **সৱল** | **সুন্দৰ আৰু দুৰ্বল** |
| শৰীৰ | • ৰূক্ষ আৰু বলৱান<br>• সহজে আঘাত প্ৰাপ্ত নোহোৱা<br>• অভেদ্য<br>• গলগলীয়া মাত | • মসৃণ আৰু দুৰ্বল<br>• কোমল আৰু মাৰ্জিত<br>• অধিক ভংগুৰ<br>• মিহি মাত। |
| সামাজিক | • মুখ্য বেতন অৰ্জন কৰোতা<br>• পৰিয়ালৰ মুৰব্বী<br>• নেতা<br>• নেতৃত্বৰ বাবে জন্ম<br>• নিমন্ত্ৰণ কৰ্তা<br>• সম্পদৰ গৰাকী<br>• গলগলীয়া মাত | • পাৰিবাৰিক ব্যক্তি।<br>• আদৰ্শ মাতৃ, পত্নী, ভগ্নী<br>• ত্যাগী<br>• সেৱাৰ বাবে জন্ম<br>• নিমন্ত্ৰিত<br>• সম্পদৰ উপভোক্তা<br>• কোমল মাত |



টোকা



| উপাদান | পুৰুষ | মহিলা |
|---|---|---|
| যৌনতা | সৰল | সুন্দৰ আৰু দুৰ্বল |
| সামাজিক | • চিন্তা আৰু কৰ্মত স্বাধীন<br>• দুঃসাহসিক<br>• ক্ষমতাশালী<br>• বুদ্ধিসম্পন্ন /চতুৰ<br>• যান্ত্ৰিক কাম কাজত শ্ৰেষ্ঠ<br>• গণিত আৰু বিজ্ঞানত ভাল<br>• বিজ্ঞ<br>• ...................... | • চিন্তা আৰু কৰ্মত নিৰ্ভৰশীল<br>• স্পৰ্শকাতৰ<br>• কৃতজ্ঞ আৰু মৰম লগা<br>• সহজ সৰল স্বভাৱৰ<br>• যান্ত্ৰিক কাম কাজত অদক্ষ<br>• ভাষাগত বিদ্যাত পাৰ্গত<br>• মূৰ্খ<br>• ............................. |
| মনস্তাত্বিক | • বেছি যুক্তিযুক্ত<br>• সামাজিক বুদ্ধিমত্তা প্ৰখৰ।<br>• দক্ষ<br>• অসহিষ্ণু আৰু অস্থিৰ<br>• অমনযোগী আৰু কঠুৱা<br>• ক্ষমতা ব্যৱহাৰকাৰী<br>• ৰূপ/সোন্দৰ্যৰ প্ৰতি মনোযোগী | • অতিকৈ আবেগিক<br>• সামাজিক বুদ্ধিমত্তা কম।<br>• আবেগ সম্পন্ন<br>• ধৈৰ্যশীল আৰু শান্ত<br>• নিজৰ শৰীৰৰ প্ৰতি সচেতন<br>• ক্ষমতা এৰি দিয়ে<br>• ধন আৰু স্থিতিৰ প্ৰতি মনোযোগ বেছি। |

সমাজে ল'ৰা আৰু ছোৱালীক পৃথককৈ মূল্যায়ন কৰে। উদাহৰণ স্বৰূপে ল'ৰা শিশু জন্ম হ'লে উদ্‌যাপন কৰে যত নেকি ছোৱালী শিশু জন্ম হোৱাটো বহুতৰে বাবে বৰ সুখকৰ নহয়। কিয় এনে হয়? আমি আৰু ছোৱালীক পৃথক ধৰণেৰে পালন কৰোঁ। ল'ৰা আৰু ছোৱালীক আমি প্ৰশংসা বা শাস্তি বেলেগ বেলেগ কাৰণত দিওঁ। কিহে মানুহক এনে কৰিবলৈ বাধ্য কৰে? এয়া পুনস্বঃ এক লিংগ সম্পৰ্কীয় পাৰ্থক্য?ছোৱালীয়েও ক্ৰিকেট বেট বা পুতলা-গাড়ী লৈ খেলিব পাৰে। ল'ৰা-শিশুৱেও পুতলা বা পাকঘৰৰ সৰঞ্জাম লৈ খেলিব পাৰে। তেনেহ'লেও শিশুৱে উপভোগ কৰে, যদিওবা কাৎচিতহে তেওঁলোকক তেনে কৰিবলৈ উৎসাহ যোগোৱা হয়। ঘৰৰ বাহিৰত যিকোনো কাৰ্যত অংশগ্ৰহণ কৰিব পৰা সুযোগ ল'ৰাতকৈ ছোৱালীৰ তেনেই সীমিত। ল'ৰাবোৰক ঘৰৰ পৰা বাহিৰলৈ যোৱাত উৎসাহিত কৰা হয় আৰু ছোৱালীক ঘৰৰ ভিতৰত থাকিবলৈহে উৎসাহ যোগোৱা হয়। এই সকলোবোৰে ল'ৰা আৰু ছোৱালীৰ ব্যক্তিত্ব গঠনত প্ৰভাৱ পেলায়।



টোকা

## 11.2.3. সামাজিক সাংস্কৃতিক গাঁথনি হিচাপে লিংগ ঃ

লিংগ পাৰ্থক্য সাংস্কৃতিকভাৱে প্ৰভাৱান্বিত আৰু সামাজিকভাৱে গঠিত। এই কাৰণেই আমি সংস্কৃতি অনুযায়ী বেলেগ লিংগৰ ভূমিকা আৰু প্ৰত্যাশাৰ বহু পাৰ্থক্য দেখা পাওঁ। উদাহৰণ স্বৰূপে আমাৰ দেশৰ বহু অংশত মহিলাই শাৰী পিন্ধে আৰু দীঘল চুলি ৰখাটো বিচৰা হয়। কিছুমান অন্যান্য সংস্কৃতিৰ ক্ষেত্ৰত মহিলাই স্কাৰ্ট পিন্ধা আৰু চুটিকৈ চুলি কটা স্বাভাৱিক দেখা যায়। মানুহে যি পৰিৱেশত ডাঙৰ দীঘল হয়, অজ্ঞাতসাৰেই লিংগৰ ভূমিকা তেনেদৰে প্ৰত্যাশা কৰে। শিশুৱে অতি সৰু কালৰে পৰা লিংগ সাপেক্ষে ভাগ কৰিবলৈ শিকি পেলায়। যাৰ ফলত তেওঁলোকে 'পুৰুষ সুলভ' আৰু 'নাৰী সুলভ' আচৰণ প্ৰকাশ কৰে। ল'ৰাবোৰে তেওঁলোকৰ শাৰীৰিক আৰু সামাজিক পৰিৱেশ তেওঁলোকৰ শাৰীৰিক ক্ষমতা বা অন্য কৌশলেৰে পৰিচালনা কৰিবলৈ শিকে। য'ত নেকি ছোৱালীবোৰে নিজকে আনৰ চকুত পৰাকৈ নিজকে প্ৰকট কৰিবলৈ শিকে। শিশুৱে নিজৰ বা আন লিংগৰ আচৰণ বোৰ পৰ্যবেক্ষণ কৰে আৰু তেওঁলোকে বেলেগৰ তাত দেখা পোৱা প্ৰতিষ্ঠিত তাৎপৰ্যপূৰ্ণ অন্য চৰিত্ৰ সমূহ তেওঁলোকৰ পিতৃ-মাতৃ, চুবুৰীয়া, শিক্ষক, চলচ্চিত্ৰ বা কোনো মাধ্যমৰ প্ৰতিষ্ঠিত ব্যক্তিও হ'ব পাৰে। লিংগ বিভাজিত কাম কাজে পুৰুষ আৰু মহিলাৰ বাবে লিংগ পাৰ্থক্য অপৰিহাৰ্য বুলি বিশ্বাস জন্মায়। আমাৰ অভ্যাসন, বিশ্বাস আৰু প্ৰতিষ্ঠানৰ পৰা লিংগ পাৰ্থক্য প্ৰবল হয়। কিয়নো সমাজ আৰু সংস্কৃতিয়ে পুৰুষ আৰু মহিলাক দুটা বিপৰীত ভাগত ভাগ কৰি চোৱাৰ বাবেই লিংগ পাৰ্থক্য প্ৰকট হয়। ল'ৰা আৰু ছোৱালীৰ লিংগ পাৰ্থক্য প্ৰধানতঃ দেখি শিকা আচৰণ আৰু ই সামাজিকীকৰণ আৰু সংস্কৃতিকৰণৰ এক ফল। সেয়েহে আমি ক'ব পাৰোঁ, লিংগ হৈছে এক সামাজিক সাংস্কৃতিক গঠন।

**কাৰ্যকলাপ/অনুশীলনী- 11.1**

1. তলৰ উক্তিবোৰ 'সত্য' বা 'অসত্য' কওঁক। আপোনাৰ উত্তৰ তলত খালী ঠাইত পূৰ কৰক।
   (a) লিংগজনিত বৈশিষ্ট্যবোৰ স্বাভাৱিক পাৰ্থক্য।.......
   (b) পুৰুষ অথবা মহিলা হোৱাটো এক জৈৱিক আৰোপণ। ..........
   (c) লিংগ আৰোপণ সমাজ ভেদে পৰিৱৰ্তন হয়।.................
   (d) ব্যক্তিৰ লিংগ সাধাৰণতে ধ্ৰুৱক হয় আৰু যৌনতা সলনি হ'ব পাৰে।
   (e) লিংগ এক সাংস্কৃতিক আৰু সামাজিক ফল। .......
   (f) 'মহিলা' হোৱাটো ব্যক্তিৰ বাবে এক ঋণাত্মক কথা।
2. তলত দিয়াবোৰ জৈৱিক আৰু লিংগীয় আৰোপণ হিচাপে ভাগ কৰা।
   (a) পুৰুষ মহিলাতকৈ বেছি বুধিয়ক।
   (b) মহিলাই সন্তান ধাৰণ কৰিব পাৰে।
   (c) মহিলাৰ স্বৰ সাধাৰণতে পুৰুষতকৈ মিহি।



টোকা

(d) পুৰুষসকল মহিলাতকৈ বেছি আত্মবিশ্বাসী।

(e) নির্দিষ্ট কিছুমান সামাজিক কার্যকলাপ মহিলাৰ বাবে উপযোগী নহয়।

(f) পুৰুষৰ বিষ বেদনা সহ্য কৰা গুণ মহিলাতকৈ বেছি।

(g) মহিলা xx ক্ৰমজমৰ অধিকাৰী আৰু পুৰুষৰ xy ক্ৰমজমৰ।

(h) মহিলাৰ বাবে দেখাৰ সৌন্দর্য আৰু ব্যক্তিৰ চৰিত্ৰ অন্য যিকোনোতকৈ বেছি দৰকাৰী।

(i) কিছুমান কাম পুৰুষতকৈ মহিলাৰ বাবে বেছি উপযোগী।

(j) ঘৰুৱা কামবন সকলো মহিলা আৰু ছোৱালীৰে কর্তব্য।

(k) মহিলা নামটোৱে ঈর্ষাৰ কাৰণ!

## 11.3. লিংগ বৈষম্য ঃ

আমি ল'ৰা আৰু ছোৱালীক একে আচৰণ নকৰোঁ। কিয় পুৰুষ আৰু মহিলাই সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰত সমানে অংশ ল'বৰ বাবে সুযোগ নাপায়? এইবোৰৰ বিষয়ে আপুনি আগতে ভাবিছে নে বাৰু? জীৱনৰ এই দিশবোৰত মহিলা অপাৰগ নেকি? মহিলা বা ছোৱালী হোৱাৰ বাবেই তেওঁলোকৰ সামর্থ সীমাবদ্ধ হৈ নাযায়। ইয়াৰ উপৰি জীৱনৰ বহুবোৰ দিশত মহিলাক সম্পূর্ণ ৰূপে সুবিধা দিয়াৰ পৰা বঞ্চিত কৰা হয়। সুবিধা দিয়াৰ পৰা বঞ্চিত কৰাটোৱেই এক প্ৰকাৰ পক্ষপাতিত্ব আৰু বৈষম্য। এই পাঠত আমি লিংগ পক্ষপাতিত্বৰ অর্থ আৰু ই কেনেকৈ ল'ৰা আৰু ছোৱালীৰ ওপৰত প্ৰভাৱ পেলায় তাক অধ্যয়ন কৰা হ'ব।

### 11.3.1. বৈষম্যৰ অর্থ আৰু লিংগ বৈষম্য ঃ

প্ৰথমে 'বৈষম্য' শব্দটোৰ অর্থ এটা বা ততোধিক উদাহৰণেৰে বুজিবলৈ চেষ্টা কৰোঁ। ধৰা হওক এখন গাঁৱৰ অনুসূচিত জাতিৰ অন্তর্গত মানুহখিনিক ৰাজহুৱা নাদৰ পৰা পানী আনিবলৈ দিয়া নহয় কিন্তু বাকী মানুহৰ বাবে এই কার্য মুকলিমুৰীয়া। পানী সকলোৰে বাবে অত্যাৱশ্যকীয় প্ৰয়োজন। ওচৰৰ নাদৰ পৰা পানী আনিবলৈ বাধা আৰোপ কৰা কার্যই মানুহক এটা অসুবিধাৰ সন্মুখীন কৰিলে। এয়া গোষ্ঠীগত বৈষম্য। অন্য এটা উদাহৰণ ধৰা হওক — দুজন সমান সামর্থবান মানুহৰ ক্ষেত্ৰত এজন বগাছালৰ হোৱা বাবেই কোনো কর্মত নিযুক্তি দিয়াটো আৰু আনজন ক'লাছালৰ বাবেই তেনে কর্মত নিযুক্তি নিদিয়াটো এক বৈষম্যমূলক আচৰণ।

বৈষম্য সম্পৰ্কত 'সন্মিলিত জাতি সংঘ'ৰ এনে এটা বক্তব্য পোৱা যায়— 'বৈষম্যমূলক আচৰণৰ ৰূপ বহুধা বিভক্ত কিন্তু এই সকলোবোৰতে বর্জন বা প্ৰত্যাখ্যান থাকেই।' সেয়েহে বৈষম্য মানে কোনো ব্যক্তি বা দল/গোট, এক বিশেষ শ্ৰেণীৰ অন্তর্গত হোৱাৰ বাবেই তেওঁএলাকৰ বিপক্ষে কৰা আচৰণ বা বিবেচনাকে সূচায়। বৈষম্যই ব্যক্তিৰ ব্যক্তিগত প্ৰয়োজন, মেধা আৰু সম্ভাৱনীতাক উপেক্ষা কৰে। গতিকে বৈষম্যৰ



টোকা

ঋআত্মক প্ৰভাৱ আছে। ই এটা বিশেষ শ্ৰেণীক অন্যায় আৰু পক্ষপাত মূলকভাৱে আনতকৈ কম সৌন্দৰ্যপূৰ্ণ কৰিবলৈ বিচাৰে আৰু তাৰ আঁচনি কৰে। আপুনি আপোনাৰ ঠাইত তেনে কোনো বৈষম্যমূলক অভিজ্ঞতা লাভ কৰিছে নেকি? তাৰ এখন তালিকা প্ৰস্তুত কৰক। কেনে ধৰণৰ পক্ষপাতমূলক কথাই এনেদৰে অভিজ্ঞতা দিছে ভাৱকচোন।

এতিয়া আমি লিংগ বৈষম্যলৈ আহো। লিংগ বৈষম্যতা হৈছে যৌনতা সম্বন্ধীয় বৈষম্যতা। এয়া হৈছে ব্যক্তিৰ যৌনতাৰ বাবে কৰা অসম ব্যৱহাৰ। লিংগজনিত বৈষম্য মানে বহু সময়ত নাৰীৰ প্ৰতি কৰা বৈষম্যকে বুজায়। নাৰীৰ প্ৰতি বৈষম্য যিকোনো সামাজিক পৰিস্থিতিত আহিব পাৰে, য'ত এনে কিছু পক্ষপাতমূলক আচৰণ আহিব পাৰে যিবোৰ হয়তো, তেওঁলোক বিপৰীত লিংগৰ হোৱা হ'লে নাহিলহেঁতেন। যিকোনো অনুচিত বিবেচনা, নীতি, অভিজ্ঞতা বা বিশ্বাস, যিয়ে পুৰুষ আৰু মহিলাক অসমান হিচাপে ব্যৱহাৰ কৰে। গতিকে কোনো ব্যক্তি বা লিংগৰ পচন্দক বাধা প্ৰদান বা উপেক্ষা কৰে আৰু ইয়ে লিংগ বৈষম্য। ইয়াক এক নিৰ্দিষ্ট পৰিস্থিতিত পক্ষপাতমূলক আৰু অনৈতিক বুলি ধৰা হয়। ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক শৌচাগাৰ দিয়াটোৱে পাৰ্থক্যৰ সমতা প্ৰদান নকৰে। তাৰ পৰিবৰ্তে ই লিংগ সচেতনতাহে প্ৰদৰ্শন কৰে।




কিছু সময়ত বৈষম্য 'চিত্ৰ ৩'ত দেখুওৱাৰ দৰে স্পষ্ট নহ'বও পাৰে। ই নিৰ্বাচনৰ সময়তো আহিব পাৰে। এনে বৈষম্যত কোনো কাৰণ বা যুক্তি নাথাকে। আপুনি এনেধৰণৰ বৈষম্যমূলক বিজ্ঞাপন কিবা দেখিছেনে? কোনো পৰিয়ালৰ ছোৱালী এজনী প্ৰজেক্টৰ কামত তেওঁৰ বন্ধুৰ ঘৰলৈ যাব খুজিছে। তেওঁক যাবলৈ অনুমতি দিয়া নহ'ব অথবা কোৱা হ'ব যে আন্ধাৰ হোৱাৰ আগতেই ঘৰলৈ ঘূৰি আহিব লাগিব। এনে কোনো বাধা ল'ৰাৰ ক্ষেত্ৰত কৰা নহয়। ছোৱালীজনী মাথো 'ছোৱালী' হোৱা বাবেই কিছু কাম কৰিবলৈ দিয়া নহয়।

অন্য এটা ডাঙৰ ঘটনা ধৰা হওঁক। কিছুমান সংস্কৃতিত মহিলাক গাড়ী চলাবলৈ দিয়া নহয়। কোনো আত্মীয় নহ'লে পুৰুষৰ লগত মহিলাক গাড়ীত উঠিবলৈও দিয়া নহয়। তেনে ক্ষেত্ৰত এটা দোধোৰ মোধোৰ অৱস্থাটো হ'ল যে কেনেকৈ পুৰুষে চলাই নিয়া বাছত ছোৱালীক স্কুললৈ যাবলৈ দিয়া হয়। যদি কোনো পুৰুষকে স্কুলীয়া ছোৱালীৰ আৰু মহিলাৰ সংস্পৰ্শলৈ আহিবলৈ দিয়া নহয় আৰু গাড়ী চলাবলৈকো দিয়া নহয় তেন্তে কোনে স্কুল বাছ চলাব? ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত কি হ'ব?

আমি প্ৰায়ে দেখো ল'ৰাবোৰে মুকলি খেলপথাৰত বহুত ধৰণৰ খেলা সামগ্ৰীৰ সৈতে খেলে। আনহাতে ছোৱালীবোৰক সাধাৰণতে কাৎচিতহে যিকোনো খেলা সামগ্ৰীৰে আভ্যন্তৰীণ খেলপথাৰত খেলিবলৈ দিয়া হয়। কেতিয়াবা ছোৱালীক আভ্যন্তৰীণ খেলপথাৰত খেলিবলৈ দিয়াৰ পৰাও বঞ্চিত কৰা হয়। এনে কিয় হয়? এয়া যুক্তিযুক্তনে?



টোকা

লিংগ বৈষম্যই কেতিয়াবা ল'ৰা অথবা পুৰুষকো প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে, ল'ৰা এজনে খেলি থাকোঁতে আঘাতপ্ৰাপ্ত হ'লে তেওঁ কন্দাটো আশা কৰা নাযায়। কিয়? এইটো সাধাৰণ ভাবেই এনেকুৱা যে তেওঁ এজন ল'ৰা। এজন ল'ৰাই কেতিয়াও পৰাজয় বৰণ কৰাটো গ্ৰহণযোগ্য নহয়। এজন পুৰুষ কেতিয়াও ঘৰ পৰিচালনা কৰা ব্যক্তি হ'ব নোৱাৰে। এয়াও লিংগ বৈষম্য। যদিও আজি কালি লিংগ বৈষম্য বিশেষকৈ ছোৱালী আৰু মহিলাৰ ক্ষেত্ৰতহে ধৰা হয়। সেয়েহে আমি ছোৱালী আৰু মহিলাৰ ক্ষেত্ৰত হোৱা লিংগ বৈষম্যৰ কথাতহে বেছি গুৰুত্ব দিব লাগিব। গতিকে লিংগ বৈষম্য মানে মাথো ছোৱালী আৰু মহিলাৰ ক্ষেত্ৰত হোৱা বৈষম্যকহে বুজায়।

## 11.3.2. লিংগ বৈষম্যৰ উৎস আৰু ধৰণ ঃ

বৈষম্য প্ৰত্যক্ষ আৰু পৰোক্ষ, মুক্তভাৱে বা কোনো কাৰণ নোহোৱাকৈ হ'ব পাৰে। যেতিয়া লিংগক বৈষম্যৰ পোনপটীয়া কাৰণ হিচাপে ব্যৱহাৰ কৰা হয় সেয়াই প্ৰত্যক্ষ বৈষম্য। এটা উদাহৰণ ধৰা হওঁক। আপুনি আপোনাৰ শ্ৰেণীৰ এজন নেতা বাছনি কৰিব লাগে। আপুনি শিক্ষক হিচাপে শ্ৰেণীটোক নেতৃত্ব দিবলৈ এজন হোৱাটোৱে ভাল বুলি ভাবিলে আৰু ছোৱালীৰ পৰিবৰ্তে ল'ৰা এজনকে বাছনি কৰিলে। এয়া প্ৰত্যক্ষ বৈষম্য। গৰ্ভধাৰণৰ বাবে কোনো কৰ্মীক চাকৰিৰ পৰা আঁতৰাই দিয়া কাৰ্য প্ৰত্যক্ষ বৈষম্য।

পৰোক্ষ বৈষম্য আহে তেতিয়া, যেতিয়া কিছুমান ব্যৱস্থা বা অনুশীলনে ছোৱালী বা মহিলাক অসুবিধাত পেলায়। উদাহৰণ স্বৰূপে যদি কোনো নিয়োগ কৰ্তাই কেৱল পুৰুষ কৰ্মীৰ বাবে নতুন আচবাব পত্ৰ যোগান ধৰে, সেয়া পৰোক্ষ বৈষম্য।




চিত্ৰ (৪) লিংগ বৈষম্যৰ উৎস সমূহ

ছোৱালী আৰু মহিলাৰ বিপক্ষে লিংগ বৈষম্যৰ ধৰণ বহুত হ'ব পাৰে। যদিও ভিন ভিন সংস্কৃতি অনুযায়ী এয়া বেলেগ বেলেগ হ'ব পাৰে। লিংগ বৈষম্য বহু ধৰণৰ উৎসৰ পৰাও আহিব পাৰে। এয়া পৰিয়ালৰ পৰা আৰম্ভ হয় আৰু ই স্কুল, ৰাজহুৱা স্থান, কৰ্মস্থান, পুলিচ ষ্টেচন, কৰ্মত নিয়োজন ব্যৱস্থা, ফৰ্ট, ৰাজনৈতিক দল, সংসদ, বিধানসভা আদিলৈ সম্প্ৰসাৰিত হয়। চিত্ৰ ৪এ লিংগ বৈষম্যৰ বিভিন্ন উৎস সমূহৰ বিষয়ে আপোনাক কিছু আভাস দিব। চিত্ৰ ভালদৰে অধ্যয়ন কৰক। ইয়াৰ প্ৰত্যেকৰে পৰা ন্যূনতম দুটাকৈ লিংগ বৈষম্যৰ অনুশীলন চিনাক্ত কৰক।




চিত্ৰ ৫ ঃ কন্যা শিশু হত্যা আৰু ছোৱালীৰ শৈশৱ কাল খৰ্ব।

ছোৱালী এজনী জন্ম হোৱাৰ আগৰে পৰাই লিংগ বৈষম্য আৰম্ভ হয়। এয়া আইনকো উপেক্ষা কৰি সংঘটিত কৰা বৃহৎ সংখ্যক কন্যা ভ্ৰূণ হত্যাৰ ঘটনাই স্পষ্ট কৰে। ল'ৰা শিশুৰ বাবে পিতৃ-মাতৃ বা সমাজৰ অগ্ৰাধিকাৰ বাৰুকৈ স্পষ্ট। পৰিয়ালৰ মাজত ছোৱালীক বেছিকৈ উপেক্ষা কৰা হয় আৰু ল'ৰাক বিশেষভাৱে পৰিচাৰ্য কৰা হয়। ছোৱালীৰ ক্ষেত্ৰত পৰিপুষ্টি আৰু স্বাস্থ্যজনিত প্ৰয়োজনবোৰ সাধাৰণতে উপেক্ষা কৰা হয়। যাৰ বাবে কন্যা শিশুৰ মৃত্যুৰ হাৰ অধিক হয়। শিক্ষাৰ সা-সুবিধা উপেক্ষা কৰা, নিজৰ পচন্দমতে পাঠ্যক্ৰম বাছনি কৰা কাৰ্যত নিৰুৎসাহিত কৰা, উচ্চ শিক্ষাৰ বাবে উৎসাহিত নকৰা, এইবোৰ আজি কালিৰ সাধাৰণ ঘটনা। নিয়োগৰ ক্ষেত্ৰতো মহিলাতকৈ পুৰুষৰ প্ৰাধান্য বেছি।

পৰিয়ালৰ মাজতো প্ৰায়ে লিংগ সম্পৰ্কীয় কথাত অসমতা দেখা যায়। এই অসমতাবোৰ বহুত বেলেগ ধৰণৰ হ'ব পাৰে। উদাহৰণ স্বৰূপে গৃহ কৰ্ম অথবা ঘৰুৱা সমস্যাবোৰ ভাগ বতৰা কৰোঁতে মহিলা আৰু ছোৱালীৰ ওপৰত বৃহৎ পৰিমাণৰ বোজা জাপি দিয়া হয়। এইবোৰে ছোৱালী আৰু মহিলাৰ শিক্ষা, নিয়োগ আৰু উত্তৰণত বা প্ৰমোচনৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। যিয়ে তেওঁলোকক বাহিৰৰ জগতখন বুজি পোৱাত কিছু সীমাবদ্ধতা আনে। জীৱিকা অৰ্জনৰ ক্ষেত্ৰতো বা বিভিন্ন কৰ্মত জ্ঞান আৰু বুদ্ধিৰ পৰা বহুত দূৰত ৰাখে।

বহু সৰু ছোৱালীয়ে ঘৰুৱা কাম-বন, ভাই-ভনীৰ যতন লোৱা আদি কৰিব লগীয়া হয় যাৰ বাবে তেওঁলোকক ঘৰতে সোমাই থাকিবলৈ বাধ্য কৰোৱা হয়। এনে কাৰ্যই তেওঁলোকৰ শৈশৱ কাঢ়ি লোৱাৰ লগতে শিক্ষা আৰু ভৱিষ্যৎ জীৱনত প্ৰভাৱান্বিত কৰে। ছোৱালীয়ে কন্যাকাল পোৱাৰ পিছত স্কুলৰ পৰা আঁতৰাই অনাৰো উদাহৰণ বহু পোৱা

টোকা

যায়। কিন্তু সংস্কৃতিত ছোৱালীৰ যৌন সম্বন্ধীয় অংগ প্ৰত্যংগ উঠাই দিয়া প্ৰথাও আছে। ল'ৰা সন্তান জন্ম দিব নোৱাৰাৰ বাবেও মহিলাক আতিশস্য কৰা হয়। বহু সংখ্যক কন্যা সন্তান অপুষ্টিত মৃত্যু বৰণ কৰে। বহু পিতৃ-মাতৃয়ে নিজেই নিজৰ কন্যা সন্তান হত্যা কৰা বা আঁতৰাই পঠোৱাৰ উদাহৰণো দেখাৰ আছে। এইবোৰ হৈছে প্ৰচলিত লিংগ বৈষম্যৰ উল্লেখযোগ্য উদাহৰণ।

অধ্যয়নৰ বাবে কোনো পাঠ্যক্ৰম পচন্দ কৰাৰ ক্ষেত্ৰতো লিংগ বৈষম্যই এক সুন্দৰ উপায়েৰে কাৰ্য কৰে। পিতৃ-মাতৃৰ পৰা আঁতৰত ৰাখি পঢ়াব লগা হ'লে, ছোৱালীসকলক কিছু নিৰ্দিষ্ট পাঠ্যক্ৰম বাছনি কৰাৰ নিৰুৎসাহিত কৰা যায়। বহুলোকে বাবে যান্ত্ৰিক অভিযন্তা পঢ়াতো ছোৱালীৰ বাবে উপযুক্ত নহয়। সহায়কাৰী পদ, শিক্ষকতা, ৰোগী শুশ্ৰূষা আৰু গৃহ পৰিচালনাৰ নিচিনা পদৰ বাবে অযুক্তিকৰ ভাবেই ছোৱালীক উপযুক্ত বুলি ভবা হয়।

চলন ফুৰণ বা যাত্ৰা আদিত বাধা আৰোপ জীৱিকা আৰ্জনৰ বাবে নিৰুৎসাহিত কৰা, মহিলাৰ ওপৰত ৰাজহুৱা স্থানৰ যৌন সম্বন্ধীয় নিৰ্যাতন, নিজৰ পছন্দ মতে জীৱিকা/কৰ্ম কৰাত বাধা আৰোপ, সম্পত্তিৰ অধিকাৰ নস্যাৎ, ফুৰাচকা বা নিজৰ মতামত প্ৰকাশ কৰাৰ পৰা বিৰত ৰখা, কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন, ৰাজহুৱা স্থানত মহিলাৰ নিৰ্যাতন, গৃহ হিংসা, শাৰীৰিক শোষণ/নিৰ্যাতন এইবোৰেই হৈছে লিংগ বৈষম্য। বিভিন্ন কৰ্ম-চৰ্ত আৰোপ কৰাটোও লিংগ বৈষম্য। এইবোৰ, বেতন, কোনো কামত চুক্তিবদ্ধভাৱে জড়িত কৰা, প্ৰমোচন বা পুৰস্কাৰ মূলক দৰমহাৰ ক্ষেত্ৰত বা আন যিকোনো ক্ষেত্ৰতে হ'ব পাৰে। নামভৰ্তি, নিৰ্বাচন আৰু সংস্থাপন, খেলধেমালি আৰু শিক্ষা সংক্ৰান্তীয় সা-সুবিধাৰ ক্ষেত্ৰতো লিংগ বৈষম্য আহিব পাৰে।

সম্পত্তিৰ ব্যৱহাৰ আৰু মালিকী স্বত্বৰ ক্ষেত্ৰতো আমি লিংগ বৈষম্য দেখা পাওঁ। ঘৰ বা ভূমিৰ নিচিনা মুখ্য সম্পত্তিবোৰ পুৰুষ আৰু মহিলাৰ মাজত অসমভাৱে বিভক্ত কৰি দিয়া হয়। সম্পত্তিৰ ওপৰত দাবী নোহোৱা বাবেই, মহিলাৰ বক্তব্য হ্ৰাস পাবলৈ ধৰিছে। আৰু ই মহিলাক বাণিজ্যিক, অৰ্থনৈতিক আৰু আনকি কিছু সামাজিক কাৰ্য কলাপটো মহিলাৰ প্ৰৱেশ আৰু বিকাশ কঠিন কৰি তুলিছে। এই ধৰণৰ অসমতা পৃথিৱীৰ প্ৰায়বোৰ অংশতে দেখিবলৈ পোৱা যায় যদিও ঠাই ভেদে ইয়াৰ ধৰণ পৃথক পৃথক। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ বহুত ঠাইতে বাণিজ্যিক সম্পত্তিৰ অধিকাৰ পুৰুষৰ পক্ষতহে আছে। যদিও সদ্যহতে সাংবিধানিক পৰিবৰ্তনেৰে সম্পত্তিৰ সম অধিকাৰ আনিবলৈ কিছু প্ৰচেষ্টা হাতত লৈছে।

শিক্ষা ব্যৱস্থাইও এক ধৰণেৰে ল'ৰা আৰু ছোৱালীৰ মাজত থকা অসমতাৰ সৃষ্টি কৰে। প্ৰথমে, স্কুলত ব্যৱহাৰ কৰা পাঠ্যপুথিত ল'ৰাক কঠোৰ আৰু দৃঢ়, মানসিকভাৱে দক্ষ ব্যক্তি যি অতি দুঃসাহসিক আৰু য'ত ছোৱালীক কোমল নম্ৰ আৰু ঘৰুৱা কাম বন কৰি আনন্দ উপভোগ কৰে বুলি বুজোৱা হয়। ছোৱালীৰ বাবে দিয়া পোছাকেৰে বহু খেল-ধেমালি, গছত উঠা আদি কাৰ্যৰ বাবে উপযোগী নহয়। দ্বিতীয়তে, ল'ৰা-ছোৱালী



টোকা

বিদ্যালয়লৈ প্ৰথম আহোঁতেই তেওঁলোকৰ মাজত ইতিমধ্যে গঢ় দিয়া লিংগ বৈষম্য লৈয়ে আহে। বিদ্যালয়ে এই বিষয়টো সাধাৰণতে উপেক্ষা কৰে। তৃতীয়তে বিদ্যালয়ৰ পৰিৱেশত কন্যা শিশু যৌন সংক্ৰান্তীয় ভুক্তভোগীও হয়। পুৰুষে ঋণ পৰিশোধ, পৰীক্ষাৰ নম্বৰ বা অন্যান্য বস্তুগত প্ৰাপ্তিৰ ক্ষেত্ৰটো লিংগ আধিপত্য দেখুৱায়, আৰু তাকে কৰাত অপাৰগ হ'লে সংঘৰ্ষ পৰ্যন্ত সৃষ্টি কৰিব বিচাৰে।

যৌন বৈষম্য হৈছে প্ৰধানতঃ মহিলা আৰু ছোৱালীৰ পচন্দৰ স্বতন্ত্ৰতাক কৰা উপেক্ষা। আমাৰ সামাজিক অনুষ্ঠানবোৰৰ জৰিয়তে হোৱা বহু লিংগ বৈষম্যৰ উদাহৰণো আমি দেখা পাওঁ। বহু সংস্কৃতিত আজিও বন্দোৱস্ত বা বলপূৰ্বক বিবাহ খুবেই সাধাৰণ ঘটনা, যাৰ ফলত প্ৰায়ে যৌন আতিশস্য হোৱা দেখা যায়। বিবাহ বিচ্ছেদ বা উত্তৰাধিকাৰীৰ ক্ষেত্ৰতো মহিলাৰ সম অধিকাৰ প্ৰায়ে নাথাকে। পুৰুষৰ বহুগামিতা ও এক লিংগ বৈষম্যৰ কাৰণ। কৰ্মৰ বহু ক্ষেত্ৰত, বিশেষকৈ অসংগঠিত ক্ষেত্ৰসমূহত একে কৰ্মৰ বাবে পুৰুষতকৈ মহিলাৰ মজুৰি কম দিয়া হয়। পিতৃ-মাতৃয়ে ছোৱালীক কোনো জীৱিকাৰ লগত জড়িত হোৱাত নিৰুৎসাহিত কৰাটো অসাধাৰণ ঘটনা নহয়।

## 11.3.3. লিংগ বৈষম্যৰ কাৰণসমূহ ঃ

লিংগ পক্ষপাতিতা বা বৈষম্যৰ কাৰণ স্পষ্টকৈ দেখুৱাই দিয়াটো খুউব কঠিন। এয়া বিভিন্ন সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ঐতিহাসিক কাৰকৰ সমাহাৰৰ পৰা আহে যদিও বৰ্তমান পুৰুষ মহিলাৰ মাজত বৈষম্য সৃষ্টি কৰা কিছু সংখ্যক কাৰক চিনাক্ত কৰাটো সম্ভৱ হৈছে।

মানৱ অধিকাৰ অন্তঃগমনীয় নীতি মতে লিংগ বৈষম্যৰ এটা মুখ্য কাৰণ হৈছে ধৰ্ম। প্ৰচলিত প্ৰথা আৰু ধৰ্মীয় উক্তিয়ে মানুহৰ চিন্তা আৰু কৰ্মক ৰূপ দিয়ে। বহু ধৰ্মই মহিলাক পুৰুষৰ তলত স্থান দিয়ে আৰু এনেকৈয়ে এখন অসম সমাজ সৃষ্টি হয়। ধৰ্মই দিয়া এনে বৈষম্যমূলক নিৰ্দেশনা অনুগামী/ভক্তসকলে কোনো প্ৰশ্নৰ অৱতাৰণা নকৰাকৈয়ে পালন কৰে। প্ৰায় সকলো ধৰ্মৰে নিজা নীতি নিয়ম আছে আৰু এই সকলো নীতিয়েই মহিলাৰ প্ৰতি কিছু সংখ্যক অধিকাৰহে মাথো মঞ্জুৰ কৰিছে। আপুনি আপোনাৰ ধৰ্মত এনে কোনো অভিজ্ঞতা পাইছেনে? আপুনি ধৰ্মৰ বাণী বা কৰ্মত কোনো লিংগ পক্ষপাত পাইছেনে?

আমি ইতিমধ্যে শিকি আহিছোঁ লিংগ বৈষম্য হৈছে এক সামাজিক-সাংস্কৃতিক গাঁথনি। আমাৰ চিন্তা আৰু কৰ্ম পন্থা সংস্কৃতিয়ে গঢ় দিয়ে। পুৰুষৰ উচ্চাত্মিকতা আৰু মহিলাৰ অৱদমন নিশ্চিত ভাবেই এৰাব নোৱাৰা সংস্কৃতি।

আদি অৱস্থাতে পোৱা সামাজিক আদৰ্শ ব্যক্তি আৰু পিতৃ-মাতৃয়ে দিয়া ব্যৱহাৰ আৰু নিৰ্দেশনাই ভৱিষ্যতে শিশুৰ ব্যক্তিত্বক প্ৰভাৱ পেলায়। ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃকে আদৰ্শ ব্যক্তি হিচাপে গ্ৰহণ কৰে। ল'ৰাই দেউতাকক আৰু ছোৱালীয়ে মাকক অনুকৰণ কৰা দেখা যায়। বহু সময়ত, লিংগ সম্পৰ্কীয় প্ৰচলিত নীতি নিয়মেৰে সন্তান ডাঙৰ কৰি, পিতৃ-মাতৃয়ে পৰিয়ালৰ মাজতো, মহিলাৰ নিম্ন সামাজিক অৱস্থানৰ নিচিনা


টোকা

ধাৰণাবোৰ অনিচ্ছা সত্বেও মানি চলিব লগা হয়। শিশু অৱস্থাৰ পৰা চালুকীয়া বা তাৰো পিছলৈকে, ল'ৰা ছোৱালীয়ে তেওঁলোকৰ ওপৰত থকা প্ৰত্যাশাৰ দৰেই শিকে আৰু আচৰণ কৰে। ল'ৰা-ছোৱালীক জন্মৰে পৰা পৃথক ধৰণেৰে বুজোৱা আৰু ব্যৱহাৰ কৰা হয়। পিতৃ-মাতৃয়ে সদ্যজাত কন্যা সন্তানক কণমানি, কোমল আৰু মনোৰম আদিৰে আৰু ল'ৰা সন্তানক ৰূঢ় আৰু সৱল হিচাপে বুজাব খোজে। তাৰোপৰি তেওঁলোকে সদ্যজাত কন্যা আৰু পুত্ৰ সন্তানক বেলেগ বেলেগ ধৰণেৰে মাত বোল কৰে।

শিশুৰ লিংগ সম্পৰ্কীয় আচৰণ সৃষ্টিৰ ক্ষেত্ৰত পিতৃ-মাতৃয়ে তেওঁলোকক কেনেকৈ আচৰণ কৰে, এয়া খুবেই গুৰুত্বপূৰ্ণ কাৰক হ'ব পাৰে। লিংগ সম্পৰ্কীয় আচৰণ হৈছে, প্ৰায়ে কোনো আধাৰ নোহোৱাকৈ পুৰুষ মহিলাৰ গুণাগুণ সম্পৰ্কীয় বিশ্বাস আৰু প্ৰত্যাশাৰ বিভাজিত হৈ থকা জনপ্ৰিয় সংহতি। ল'ৰা আৰু ছোৱালীয়ে পৃথক পৃথক খেলা সামগ্ৰী পায়। কন্যা সন্তানক খুবেই ৰক্ষণাবেক্ষণ দি ৰাখিব খোজে আৰু তেওঁলোকৰ ওপৰত খুউব নিষেধাজ্ঞা আৰু দমন আৰোপ কৰা হয়। ল'ৰা সন্তানে দৃঢ়, দুঃসাহসিক আৰু কৃতকাৰ্য হ'বলৈ যথেষ্ট উদগণি আৰু উৎসাহ পায়। পিতৃ-মাতৃয়ে নিজৰ ল'ৰা আৰু ছোৱালীৰ পৰা পৃথক পৃথক প্ৰত্যাশা কৰে। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালী উভয়কে, লিংগ বিশেষে, তেওঁলোকে বিচৰা ধৰণেৰে, কৰা সঠিক আচৰণক পুৰস্কাৰ বা শাস্তি আৰু ধনাত্মক প্ৰতিক্ৰিয়াত্মক মতামত আদিৰে পুনৰুজীৱিত কৰে। কঠোৰ দৃষ্টিয়েও লিংগ সম্পৰ্কীয় আচৰণক উত্তৰণ ঘটায়।

বহু পিতৃ-মাতৃয়ে প্ৰায়ে কন্যা সন্তানক এক বোজা বুলি ভাবে। সেয়েহে তেওঁলোকে কন্যা সন্তানৰ বিশেষ স্বাস্থ্য বা শিক্ষাৰ বাবে বেছি খৰচ কৰিব নিবিচাৰে। নিম্ন মানৰ শিক্ষাই নিম্নখাপৰ জীৱিকা দিয়ে যাৰ ফলত অভাৱ আৰু আনৰ ওপৰত নিৰ্ভৰশীলতা আহি পৰে। এনে নিৰ্ভৰশীলতাৰ বাবে পুৰুষে মহিলাক কিছু নিম্ন খাপৰ বুলি গণ্য কৰে। যিসকল মহিলাৰ শিক্ষা নাথাকে তেওঁলোকৰ নিজৰ অৱস্থাৰ উত্তৰণ কৰা আৰু বৈষম্য দূৰীকৰণৰ বাবে কোনো আহিলাও নাথাকে।

ল'ৰা-ছোৱালীয়ে পঢ়া কিতাপ বা তেওঁলোকে শুনা সাধু কথাবোৰেও তেওঁলোকৰ লিংগ বৈষম্য আৰু পক্ষপাতমূলক অনুশীলনক পুনৰুজ্জীৱিত কৰে। ছোৱালী আৰু মহিলাক সততে কোনো উল্লেখযোগ্য ভূমিকাত দেখা নোপোৱাৰ বাবেই শিশুসকলে পুৰুষৰ উচ্চাত্মিকতাক মানি লয়। শৈক্ষিক অনুষ্ঠান, শিক্ষক আৰু পাঠ্যক্ৰমেও লিংগ পক্ষপাত আৰু বৈষম্যৰ প্ৰতি উল্লেখযোগ্য অৰিহণা আগবঢ়ায়। ল'ৰা আৰু ছোৱালী একে শ্ৰেণীকোঠাত বহে, একে শিক্ষকৰ দ্বাৰা একে কিতাপ পঢ়ে কিন্তু তেওঁলোকক শিক্ষিত কৰা হয় পৃথককৈ। লিংগ বৈষম্যৰ অন্য কিছু কাৰণ হৈছে অস্বাক্ষৰতা, বৰ্ণ প্ৰথা, পৰিয়ালৰ মৰ্যাদা, পৰিয়ালৰ আৰ্জনৰ স্তৰ আৰু সমাজত পৰিয়ালৰ আৰ্হি বা আদৰ্শ। এনে এটা অসাধু চক্ৰ আছে যি পুৰুষৰ পক্ষত থাকে আৰু পুৰুষৰ দমন নীতিক মূল্য দিয়ে, বিশ্বাস দিয়ে আৰু তাৰ অনুশীলন কৰে (যাক কোৱা হয় পুৰুষ প্ৰধান তন্ত্ৰ) যিয়ে লিংগ বৈষম্য সম্পৰ্কৰ সৃষ্টি কৰে।

এতিয়া আপুনি বুজি পালে যে লিংগ পক্ষপাত আৰু লিংগ বৈষম্য বহু ঠাইৰ পৰা



টোকা

সৃষ্টি হয়। একেদৰে এইবোৰ বিভিন্ন ধৰণেৰে পুনৰুজ্জীৱিত হয়।

ছোৱালীয়ে সমানে সমানে উদ্দেশ্যত উপনীত হ'ব তেতিয়াহে পাৰিব যেতিয়া পিতৃ-মাতৃ, স্কুল, ৰাজহুৱা, প্ৰতিনিধি, মাধ্যম, সামাজিক দল আৰু নিৰ্মাতা সকলোৰে একেলগে তেওঁলোকক উদ্দেশ্যত উপনীত হোৱাত সহায়ৰ বাবে কাম কৰিব। পিতৃ-মাতৃয়ে ঘৰ আৰু বিদ্যালয় গাঁথনি উভয়তে তেওঁলোকৰ কন্যা সন্তানৰ সবলীকৰণৰ বাবে অংশগ্ৰহণ কৰিব লাগিব। চৰকাৰ, প্ৰশাসন, স্কুল আৰু শিক্ষকে সক্ৰিয়ভাৱে ছোৱালীৰ শিক্ষা আৰু সামাজিক অংশগ্ৰহণৰ ক্ষেত্ৰত উৎসাহ যোগাব লাগিব। যেতিয়া এয়া ঘটিব তেতিয়াহে লিংগ সমতা সবল হ'ব।

## 11.3.4. লিংগ বৈষম্যতাৰ উৎস আৰু ইতিহাস ঃ

লিংগ বৈষম্যৰ উৎস বৰ্ণনা কৰিবলৈ বহু ধৰণৰ তত্ব পোৱা যায়। লিংগ অসমতাৰ আটাইতকৈ শক্তিশালী বৰ্ণনাটো দিয়া হৈছে, যাক কোৱা হয় 'materialist theory' (বস্তুগত তত্ব)। এই তত্বই লিংগ অসমতা ব্যাখ্যা দিবলৈ, পুৰুষ মহিলাৰ অৱস্থিতি সম্পৰ্কীয় তথ্য একে সময়তে বেলেগ বেলেগ সংস্কৃতিৰ পৰা ব্যৱহাৰ কৰিছে। ইয়াৰ তত্বমূলক উক্তিয়ে ক'ব খোজে যে সমাজৰ অৰ্থনৈতিক গাঁথনিত পুৰুষ মহিলা যি ধৰণেৰে জড়িত হৈ আছে তাৰেহে ফল। তেওঁলোকে মূল্যৱান সম্পদৰ ওপৰত দখল আৰু বিতৰণৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। মূলতঃ যিয়ে পুৰুষক এটা সুবিধাজনক অৱস্থানত ৰাখে। অৰ্থনৈতিক অসমতা, পৰনিৰ্ভৰশীলতা, ৰাজনৈতিক দোদুল্যমান অৱস্থা আৰু পুতৌলগা সামাজিক সম্পৰ্কই হৈছে পুৰুষ মহিলাৰ অসমতাৰ মূল। এই নীতিয়ে আৰু ক'ব খোজে যে মহিলাৰ ওপৰত অৱদমন জীৱ বৈজ্ঞানিক নহয়, এয়া সামাজিক সম্পৰ্কৰ পৰা অহাহে।

পৰিয়াল গঠনে শ্ৰমৰ বিভক্তিকৰণ বিচাৰে। ঘৰুৱা কামৰ ভাৰ মহিলা আৰু ঘৰৰ বাহিৰৰ কামৰ ভাৰ পুৰুষৰ ওপৰত পৰাৰ কাৰণ সহজে বোধগম্য। এনেধৰণৰ শ্ৰম বিভাজনে বিশেষকৈ মহিলাক বাধাপ্ৰাপ্ত কৰে আৰু ই পুৰুষৰ বাবে সুবিধাজনক হৈ পৰে। জনন সম্পৰ্কীয় নিয়ম, দায়িত্ব আৰু শ্ৰম মহিলাক সন্মানজনক কামৰ লগত জড়িত ৰখাৰ পৰা বিৰত কৰে। লিংগ অসমতাৰ আৰু কিছুমান তত্ব পোৱা যায়। সেইবোৰৰ বিষয়ে জানিবলৈ চেষ্টা কৰে।

যৌন সম্পৰ্কীয় ভুল ধাৰণাই ঐতিহাসিকভাৱে মহিলাৰ অসুবিধাৰ সৃষ্টি কৰি আহিছে। 'ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৮৬' (The national Policy of Education 1986) এ লিংগ অসমতাৰ দীৰ্ঘকালীন ইতিহাস চিনাক্ত কৰিছে আৰু ইয়াৰ মতে এনে অসমতা হৈছে অতীতৰ পৰা ক্ৰমান্বয়ে বৰ্ধিত হৈ অহা এক বিসংগতি।

মহিলাৰ সঠিক আচৰণৰ ওপৰত ভাৰতীয় ধাৰণাৰ মূল হৈছে ২০০BCEতে দিয়া মনুৰ নীতি। IX.3 কন্যাকালত মহিলাক পিতৃয়ে, যৌৱন কালত জীৱন সংগীয়ে আৰু বৃদ্ধ কালত পুত্ৰই ৰক্ষণাবেক্ষণ দিয়ে; এগৰাকী মহিলা স্বতন্ত্ৰ হ'বৰ বাবে উপযুক্ত নহয়।

কিছু বিদ্বান লোকে ক'ব খোজে যে প্ৰাচীন ভাৰতত মহিলাই সমমৰ্যাদা আৰু

টোকা

অধিকাৰ উপভোগ কৰিছিল। যদিও অন্য সংস্কৃতিৰ পৰা অনুশাসক আৰু মনু স্মৃতিৰ আগমনৰ ফলত মহিলাৰ সামাজিক অৱস্থান খৰ্ব হ'বলৈ আৰম্ভ কৰিছিল। বোধহয় অলপদিন মানৰ পৰাহে মহিলাক পণ্য সামগ্ৰী হিচাপে গণ্য কৰা হৈছিল। মধ্যযুগত যেতিয়া কিছু গোষ্ঠীৰ মাজত সতীদাহ প্ৰথা, বাল্য বিবাহ, যৌতুক প্ৰথা আৰু বিধবা বিবাহৰ বিৰোধিতা আদি ঘটনাবোৰ সমাজ জীৱনৰ অংশ হৈ পৰিছিল তেতিয়া ভাৰতীয় নাৰীৰ অৱস্থান আকৌ স্খলিত হৈছিল। পৰ্দা প্ৰথা প্ৰবৰ্তন হৈছিল। দেৱদাসী আৰু মন্দিৰত কাম কৰা মহিলাসকল যৌনভাৱে শোষিত হৈছিল। পুৰুষৰ বহুগামীতা বহুলভাৱে আহি পৰিছিল, বহু পুৰুষৰ বাবে ই এক মৰ্যাদা ৰূপে পৰিগণিত হৈছিল। এইবোৰৰ উপৰি বহু মহিলা নিষিদ্ধ আৰু আবদ্ধ হৈ থাকিব লগা হৈছিল। বাল্য বিবাহ প্ৰথা ষষ্ঠ শতিকাৰ পৰাই চলি অহা বুলি বিশ্বাস কৰা হয়।

আনকি আজিও শিক্ষা, উন্নয়ন আৰু সাংবিধানিক ব্যৱস্থা থকাৰ পিছতো আমাৰ সমাজত মহিলাৰ ওপৰত বিভিন্ন চাপ, হেঁচা চলিয়ে আছে। যৌন শোষণ, অবিচাৰ, যৌতুকৰ বাবে মৃত্যু, ঘৰুৱা হিংসা, অপহৰণ, উৎপীড়ন, ধৰ্ষণ, এচিড আক্ৰমণ, যৌন অংগ ক্ষত, কন্যা ভ্ৰূণ হত্যা, কন্যা শিশু হত্যা, বাৰ্ধক্য অসন্মান আদি অপ্ৰতিৰোধ্য ভাৱে চলিয়ে আছে।

**কাৰ্যকলাপ 11.2**

II তলৰ উক্তিবোৰ শুদ্ধ নে ভুল কওক। যদি ভুল, উক্তিটো শুদ্ধ কৰক।

1. ল'ৰা শিশুৰ অগ্ৰাধিকাৰে মহিলাৰ বিপক্ষে পক্ষপাত প্ৰতিফলিত কৰে।
2. লিংগ সমতা উত্তৰণৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ কোনো ভূমিকা নাই।
3. লিংগ বৈষম্য মুক্ত সমাজ এখন সৃষ্টিৰ বাবে শিক্ষকৰ এক সক্ৰিয় ভূমিকা আছে।
4. PNDT আইন ভাৰতত ৰাজহুৱাকৈ ঘোষণা কৰা হৈছিল যৌতুক প্ৰথাক ভীতি প্ৰদৰ্শন কৰিবৰ বাবে।
5. প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে আমাৰ দেশত মহিলাৰ সংখ্যা কমি আহিছে।
6. মহিলাৰ পৰাধীনতাৰ বাবে মূলতঃ জৈৱিক কাৰক সমূহেই দায়ী।
7. সকলো শিক্ষকেই শ্ৰেণীকোঠাত লিংগ সচেতনতা প্ৰদৰ্শন কৰে।

II তলৰ কোনটো লিংগ বৈষম্যৰ উদাহৰণ?

1. এজন শিক্ষকে কিছুমান নিৰ্দিষ্ট বিদ্যালয় কাৰ্য ছোৱালীক কৰিবলৈ নিদিয়ে।
2. উচ্চ শিক্ষা কৰি থকা সকলো ছোৱালীৰে মাচুল উঠাই দিয়া আৰু জলপানি দিয়াৰ ব্যৱস্থা কৰা।
3. জিলা পঞ্চায়ত আৰু গাঁও পঞ্চায়তত মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষণ।
4. মহিলাই অভিযোগ দাখিল কৰিবলৈ আহিলে পুলিচে তাক পঞ্জীয়নভুক্ত নকৰা।



টোকা

5. বাছত মহিলাৰ প্ৰতি দুৰ্ব্যৱহাৰ।

6. চৰকাৰী চিকিৎসালয়ত মহিলা ৰোগীৰ বাবে পৃথক পৰীক্ষা ৰুম প্ৰদান কৰা।

7. মহিলাৰ প্ৰসূতি আৰু শিশুৰ যতনৰ বাবে ছুটী মঞ্জুৰ কৰা।

8. যৌন আতিশয্যৰ পিছত ভুক্তভোগীক, কি ঘটি গ'ল সেয়া কাকো নক'বলৈ নিৰ্দেশ দিয়া কাৰ্য।

III তলৰ প্ৰতিটোৰ সঠিক উত্তৰ দিয়া ঃ

1. 'মহিলাই কোনো স্বাধীনতা উপভোগ কৰিব নোৱাৰে।' এই উক্তিটো পোৱা যায়—

(a) ৰামায়ণ (b) মনু স্মৃতি (c) মহাভাৰত (d) উপনিষদ

2. তলৰ কোনটো ভাৰতত অবৈধ নহয়?

(a) সতীদাহ প্ৰথা (b) যৌতুক দিয়া আৰু লোৱা (c) মহিলাৰ ক্ৰীড়া সংক্ৰান্তীয় উত্তৰণৰ বাবে ছোৱালীক বিশেষ সুবিধা দিয়া। (d) কৰ্মক্ষেত্ৰত যৌন আতিশয্য।

3. তলৰ কোনটো লিংগ বৈষম্যৰ এটা উদাহৰণ?

(a) শিশুৰ বিকাশ সম্পৰ্কীয় প্ৰতিবেদনত পিতৃ-মাতৃ আৰু উভয়ৰে নাম সংশ্লিষ্ট কৰণ। (b) তথাকথিত পাঠ্যক্ৰম পঢ়িবলৈ ছোৱালীক অনুপ্ৰেৰণা। (c) মহিলা আৰু তেওঁলোকৰ একান্ত ব্যক্তিগত প্ৰয়োজনবোৰৰ প্ৰতি সন্মান প্ৰদৰ্শন। (d) একে কামৰ বাবে মহিলাতকৈ পুৰুষক বেছিকৈ বেতন দিয়া।

## 11.4. লিংগৰ অৱস্থান নিৰ্দেশক ঃ

পুৰুষ আৰু মহিলাৰ মাজত থকা প্ৰধান পাৰ্থক্যবোৰ বুজিবলৈ হ'লে, আমি পুৰুষ আৰু মহিলাৰ অৱস্থান বুজি পোৱাটো দৰকাৰ। পুৰুষ আৰু মহিলাই সমান সুবিধা, সমান অধিকাৰ আৰু সম মৰ্যাদা উপভোগ কৰিব পাৰিছেনে? ভাৰতত ই কি অৱস্থাত আছে? যদি লিংগ বৈষম্য আছে তেন্তে ইয়াৰ নিৰ্দেশকবোৰ কি? শিক্ষাৰ অৱস্থান, স্বাস্থ্য, সম্পত্তিৰ মালিকীস্বত্ব, কৰ্মত অংশগ্ৰহণ, বিবাহৰ বয়স, মহিলাৰ বিপক্ষে কঠোৰ আইন এইবোৰেই আমাৰ সমাজত পুৰুষ আৰু মহিলাৰ অৱস্থান নিৰ্ণয় কৰিব পাৰে। এই অৱস্থান নিৰ্দেশকবোৰ তলত চমুকৈ বৰ্ণনা কৰা হওক।

### 11.4.1. যৌনতা অনুপাত ঃ

এখন সমাজত মহিলাৰ অৱস্থান বুজোৱা এটা অতি গুৰুত্বপূৰ্ণ আৰু অতিকৈ সচেতন সূচাংক হৈছে যৌনতা অনুপাত। যৌনতা অনুপাত হৈছে প্ৰতি এক হাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা। যিকোনো সমাজত প্ৰতি এহাজাৰজন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা অতি কমেও এহাজাৰ হোৱাটো বাঞ্চনীয়। দুৰ্ভাগ্যবশতঃ আমাৰ



টোকা






দেশত যৌনতা অনুপাত কমিবলৈ ধৰিছে। সকলোতকৈ চহৰ অঞ্চলত এই পৰিস্থিতি বৰ আশংকাজনক। আন এক অতিকৈ বিবেচনা কৰি চাবলগীয়া ঘটনা হৈছে 'শিশু-যৌনতা অনুপাত (child-sex ratio)। শিশু যৌনতা অনুপাত হৈছে 0-6 বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত যৌনতা অনুপাত। (The United Nations Children's fund) ৰাষ্ট্ৰ সংঘৰ শিশু ন্যাসে কৰা এক সমীক্ষা মতে, উপযুক্ত যতন নোলোৱাৰ বাবে কন্যা শিশুৰ মৃত্যু হোৱা আৰু কন্যা শিশু ভ্ৰূণ অৱস্থাতে হত্যা কৰা ঘটনাৰ বাবেই 50 মিলিয়ন ছোৱালী আৰু মহিলা ভাৰতৰ জনসংখ্যাৰ পৰা নোহোৱা হৈছে। 1901ৰ পৰা 2011 লৈকে লোকপিয়লৰ খতিয়ান মতে যৌনতা অনুপাত ক্ৰমান্বয়ে অৱনমিত হৈ আছে। গ্ৰামাঞ্চলতকৈ চহৰাঞ্চলত যৌনতা অনুপাত অবনমনৰ পৰিমাণ বেছি। 2011 পিয়ল মতে আমাৰ দেশত যৌনতা অনুপাত 940 আৰু শিশু যৌনতা অনুপাত 914। ৰুগ্ন পৰিবৰ্তন বাৰুকৈয়ে চলি আছে। আমি আমাৰ ভৱিষ্যৎ বচাবলৈ কন্যা শিশু বচাবই লাগিব।

## 11.4.2. শিক্ষা ঃ

পৰিয়ালৰ ভিতৰত আৰু সমাজত মহিলাৰ অৱস্থান প্ৰত্যক্ষভাৱে তেওঁলোকৰ শিক্ষাৰ লগত জড়িত। সেয়েহে লিংগ সমতা আৰু সবলীকৰণৰ বাবে শিক্ষাই এক অতি মুখ্য নিৰ্দেশকৰ কাম কৰে। মহিলাৰ সাক্ষৰতাৰ স্তৰ, সাক্ষৰতাৰ ক্ষেত্ৰত লিংগগত সুৰুঙা , প্ৰাথমিক পৰ্যায়ত নামভৰ্তিকৰণ, বিদ্যালয় এৰি গুচি যোৱাৰ হাৰ আদি প্ৰাসংগিক নিৰ্দেশক। উচ্চ পৰ্যায়ৰ শিক্ষাই উচ্চ আয়ৰ সামৰ্থ্য, সুস্বাস্থ্য আৰু নিজৰ জীৱনৰ ওপৰত উপযুক্ত নিয়ন্ত্ৰণ নিশ্চিত কৰে।

নাৰী স্বাধীনতাৰ ওপৰত শিক্ষাৰ মূল্যৰ বিস্তৃতভাৱে স্বীকৃতি থকা সত্বেও, শিক্ষাগত সমতা এক প্ৰবঞ্চনা হৈয়ে থাকি গ'ল। এতিয়াও সাক্ষৰতাৰ হাৰত এক বৃহৎ লিংগগত পাৰ্থক্য বৰ্তি আছে। বহু ছোৱালী বিভিন্ন স্তৰত বিদ্যালয় এৰি গুচি আহে। প্ৰায় 245 মিলিয়ন ভাৰতীয় মহিলাৰ লিখা-পঢ়াৰ প্ৰাথমিক সামৰ্থ্য নাই। 2000 চনত 15 বছৰ বয়স আৰু তাৰ ওপৰৰ সাক্ষৰতাৰ হাৰ মহিলাৰ বাবে 46.4 শতাংশ আৰু পুৰুষৰ বাবে 69 শতাংশ আছিল। আপোনাৰ মতে ছোৱালীৰ সাক্ষৰতাৰ নিম্ন হাৰৰ বাবে কি কি কাৰক দায়বদ্ধ? আপোনাৰ বিদ্যালয়ৰ চৌপাশে সকলো ছোৱালী বিদ্যালয়লৈ আহিছে নে? যদি নাই অহা তাৰ সাম্ভাব্য কাৰণ কি হ'ব পাৰে? বিচাৰি উলিওৱাক। সাক্ষৰতাৰ হাৰ মাথো এটা নিৰ্দেশক আৰু বহুতো অন্যান্য নিৰ্দেশক আছে য'ত নামভৰ্তিৰ হাৰ, বিদ্যালয় এৰি অহাৰ হাৰ আৰু বিভিন্ন পদমৰ্যাদাৰ স্তৰত ছোৱালী সংখ্যা আদি অন্তৰ্ভুক্ত হৈ আছে। এই ক্ষেত্ৰসমূহত ছোৱালীৰ অৱস্থান বিচাৰি উলিৱাওক চোন।




**চিত্ৰ (7) ঃ ভাৰতত মহিলাৰ শৈক্ষিক প্ৰাপ্তি**


টোকা

ভাৰতীয় মহিলাৰ শৈক্ষিক প্ৰাপ্তি চিত্ৰ 7ত দেখুওৱা হ'ল। আপুনি মন কৰিব পাৰে যে আমি যিমানে শিক্ষাৰ জখলা ডালেদি ওপৰলৈ উঠি গৈছো, ক্ৰমান্বয়ে মহিলাৰ সংখ্যাটো কমি গৈছে। এতিয়াও বহু ৰাজ্যৰ প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ পৰা বহু নিলগত আছে। আপোনাৰ ৰাজ্যত ইয়াৰ পৰিস্থিতি কি? এইবোৰক প্ৰত্যাহ্বান জনাবলৈ কি কৰা উচিত?

## 11.4.3. স্বাস্থ্য

সুস্বাস্থ্য আৰু সমৃদ্ধি সকলো পুৰুষ মহিলাৰে মৌলিক অধিকাৰ যদিও পৰিসংখ্যাই উদঙাই দেখুৱাইছে যে স্বাস্থ্যজনিত অৱস্থান স্বাস্থ্যৰ সেৱা লাভ কৰাৰ ক্ষেত্ৰত আৰু স্বাস্থ্যৰ পৰিণতিত লিংগজনিত পাৰ্থক্য যথেষ্ট আছে। ছোৱালীৰ মৃত্যুৰ হাৰ অন্য বয়সৰ তুলনাত শিশু অৱস্থাত সৰ্বোচ্চ হয়।

শিশুৰ মৃত্যুৰ হাৰ (IMR : Infant Mortality Rate)ক এনেদৰে সংজ্ঞামিত কৰা হয়- প্ৰতি এক হাজাৰ শিশুৰ, এক বছৰ বয়সৰ ভিতৰত মৃত্যুবৰণ কৰা শিশুৰ সাম্ভাব্য সংখ্যা। যৌনতা বা জৈৱিক কাৰণশতঃ ল'ৰা শিশুৰ মৃত্যুৰ প্ৰৱণতা বেছি থকা সত্বেও ভাৰতবৰ্ষত ছোৱালী শিশুৰ মৃত্যুৰ হাৰ ল'ৰাতকৈ বেছি। এই মৃত্যুৰ হাৰে সামাজিক, সাংস্কৃতিক প্ৰভাৱক প্ৰতিফলিত কৰে।

ভাৰতীয় মহিলাই দৈনিক গড়ে ল'বলগীয়া পৰিপুষ্টি 1400 কেলৰি হিচাপে অনুমান কৰা হৈছে। প্ৰয়োজনীয় আৱশ্যকতা প্ৰায় 2200 কেলৰি। বহু ছোৱালীয়ে পুষ্টিহীনতা, তেজহীনতা আৰু কম ওজনত ভোগা দেখা যায়।

বিবাহৰ আইনগত বয়স ছোৱালীৰ বাবে 18 বছৰ। এনে নিষেধাজ্ঞা থকা সত্বেও বাৰতত বহু ছোৱালী 18 বছৰৰ পূৰ্বেই বিবাহ হোৱা দেখা যায়। এই সমস্যা মধ্য প্ৰদেশ, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, বিহাৰ, পশ্চিমবংগ আৰু উত্তৰ প্ৰদেশ আদি ৰাজ্যত অনিয়ন্ত্ৰিত



টোকা

ভাবে চলি আছে। বয়সতকৈ আগেয়ে বিবাহ হোৱাৰ বাবে তেওঁলোকে কমবয়সতে গৰ্ভধাৰণ কৰে যাৰ ফলত তেওঁলোকৰ শৈশৱ নষ্ট আৰু শিক্ষাক উপেক্ষা কৰা হয়। কম বয়সীয়া মহিলাৰ গৰ্ভধাৰণে কম ওজনৰ শিশুৰ জন্ম দিয়ে, মৃত শিশুৰ জন্ম, গৰ্ভপাত আৰু বিশেষকৈ মাতৃসকলে বেয়া স্বাস্থ্য আৰু পুষ্টিহীনতাত ভুগিব লগা হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে 2008 চনত, ভাৰতীয় ছোৱালীৰ বিবাহৰ নিম্ন বয়স সীমা 2001 চনত থকা, 18.3 বছৰৰ পৰিবৰ্তে 20.6 বছৰলৈ পৰিবৰ্তন কৰিলে। ই এক আদৰণীয় পদক্ষেপ।

সমীক্ষা মতে পোৱা গৈছে যে ভাৰতৰ মুঠ HIV ধনাত্মক মানুহৰ 38% মহিলা। তথাপিও AIDS চিকিৎসা প্ৰতিষ্ঠানসমূহত মহিলাৰ বাবে মাথো 25% বিচনাহে ৰখা হৈছে। বাকীসকল নিশ্চিতভাৱেই উপেক্ষিত হৈ আছে। ভাৰতত প্ৰায় 92% মহিলা, সন্তান জন্মৰ লগত জড়িত সমস্যাত ভোগে। ভাৰতবৰ্ষত প্ৰতিদিনে প্ৰায় 300 মহিলা শিশু জন্ম আৰু গৰ্ভধাৰণৰ লগত জড়িত কাৰণত মৃত্যুবৰণ কৰে। প্ৰতি বছৰে প্ৰতি 1,00,000 (এক লাখ) জীৱিত সন্তান জন্মৰ বিপৰীতে মৃত্যু হোৱা মাতৃৰ সংখ্যা যদিও এৰাই চলা হৈছে, ই এতিয়াও কিন্তু এটা প্ৰধান গুৰুত্বপূৰ্ণ বিষয় হৈ আছে।

স্বাস্থ্যৰ আন নিৰ্দেশকবোৰৰ মাজত মাতৃৰ মৃত্যুৰ হাৰ, উৰ্বৰতা (গৰ্ভধাৰণ)ৰ হাৰ আৰু গড় আয়ুস কালো আছে। এই কাৰকবোৰৰ ওপৰত মহিলাৰ অৱস্থিতি জানিবলৈ চেষ্টা কৰক।

## 11.4.4. মানৱ সম্পদত অংশগ্ৰহণ ঃ

কৰ্মই পুৰুষ আৰু মহিলাৰ আপেক্ষিক সম্পদ, ক্ষমতা আৰু সন্মান নিৰ্ণায়কত এক গুৰুত্বপূৰ্ণ অংশ পালন কৰে। জনসংখ্যাৰ কৰ্মক্ষম বয়স গোটৰ যি অংশই কোনো বৃত্তিত সক্ৰিয়ভাৱে জড়িত হৈ আছে বা জীৱিকাৰ বাবে প্ৰচেষ্টা চলাই আছে সেই অংশক মানৱ সম্পদ বুলি ধৰা হয়। মানৱ সম্পদৰ লগত জড়িত হোৱাটো এক দৰকাৰী বিষয় কাৰণ ই অৰ্থনৈতিক বিকাশৰ সম্ভাৱিতাক প্ৰভাৱান্বিত কৰে। জনসংখ্যা, মানৱ সম্পদত অংশগ্ৰহণ আৰু উৎপাদনশীলতা হৈছে অৰ্থনৈতিক বিকাশৰ মূল কাৰক। মহিলাই জনসংখ্যাৰ 50% অধিকাৰ কৰে। তথাপিও তেওঁলোকৰ মানৱ সম্পদ আৰু উৎপাদনশীলতাৰ লগত অংশগ্ৰহণ নগণ্য হৈ আছে।

কৰ্মস্থান এনে এক গাঁথনি হ'ব পাৰে য'ত আমি লিংগ বৈষম্য দেখিবলৈ পাওঁ। অসমতা বৰ্তি থাকিবলৈ ইও এটা কাৰক হ'ব পাৰে। সেয়েহে ই মহিলাৰ অৱস্থিতিৰ ওপৰত প্ৰভাৱ পেলায়। তথ্যৰ পৰা পোৱা গৈছে যে মহিলাৰ, মানৱ সম্পদত অংশ গ্ৰহণৰ হাৰ নিম্ন। এই হাৰ যোৱা তিনিটা দশকত গ্ৰামাঞ্চলৰ মহিলাৰ বাবে 30% আৰু চহৰাঞ্চলৰ ক্ষেত্ৰত প্ৰায় 15% তকৈ কেতিয়াও বেছি পোৱা নাই। গ্ৰামাঞ্চলৰ মহিলাৰ মানৱ সম্পদত অংশগ্ৰহণ চহৰাঞ্চলতকৈ প্ৰায় তিনিগুণ বেছি। মহিলাৰ অংশ গ্ৰহণেই হৈছে মানৱ সম্পদ কিন্তু ই বিগত বহু বছৰ ধৰি উপেক্ষিত হৈ থকা দেখা গৈছে। ই এটা চিন্তাৰ বিষয়।



টোকা

বেছিখিনি মহিলাক হয়, কৃষিৰ দৰে সংগঠিত ক্ষেত্ৰত, দৈনিক হাজিৰা পদ্ধতি আৰু নিৰ্মাণ কাৰ্য নাইবা কম মজুৰি পোৱা ঠাইত পোৱা যায়। বহু মহিলাই মজুৰি বিহীন কৰ্মত নিয়োজিত হোৱাও দেখা যায়। এক সমীক্ষা মতে, দৈহিক শ্ৰমৰ 2/3 অংশই মহিলাই কৰে। তথাপি তেওঁলোকৰ অৱদানক অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত উপযুক্ত স্বীকৃতি দিয়া নহয়। কিয় এনে হয়? মহিলাই কৰা খিনি কি কাম নহয়!

আন এক সমস্যা হৈছে 'দৈনিক বেতনৰ সমস্যা'। দৈনিক বেতনৰ সমতা মানে হৈছে সমান কামৰ বাবে সমান মজুৰি ব্যৱস্থা। য'ত মহিলাৰ ক্ষেত্ৰত নিশ্চিতভাৱে বিগত 30 বছৰে এই 'সমকৰ্ম সম মজুৰি' কিছু আঁতৰত আছে। এতিয়াও পুৰুষ আৰু মহিলাৰ সমপৰ্যায়ৰ বৃত্তিত আৰ্জনৰ এক পাৰ্থক্য আছে। ইয়াত লিংগৰ ধাৰণাৰে কৰ্মৰ মূল্যায়ন হয়।

তথাকথিত 'মহিলাৰ কাম' হৈছে এক সহায়কাৰী আৰু সমৰ্থিত বৃত্তি। এইবোৰ কাম, পুৰুষে কৰা কামৰ মূল্যৰ লগত তুলনা কৰি বিবেচনা কৰা নহয়। এইবোৰে সমান কামৰ বাবে পুৰুষ মহিলা ভেদে মজুৰিৰ পাৰ্থক্যৰ সৃষ্টি কৰে। মহিলাসকল নিম্ন মজুৰিৰ অৱস্থানত থুপ খায় থাকে আৰু তেওঁলোকৰ দৰদাম কৰাৰ ক্ষমতাও কম। মহিলাসকলে ঘৰুৱা কামত লাগি থাকোতে সময় উলিয়াব নোৱাৰাৰ হেতু, অংশকালীন কামৰ বাবে পুৰুষতকৈ বেছি সুবিধাজনক। এইবোৰে তেওঁলোকৰ মূল মজুৰি (কৰ, বীমা কৰ্তন কৰাৰ পিছত) আৰু জীৱিকা সম্পৰ্কীয় সা-সুবিধাত প্ৰভাৱ বিস্তাৰ কৰে। অসংগঠিত ক্ষেত্ৰসমূহত মজুৰিৰ পাৰ্থক্য যথেষ্ট স্পষ্ট।

মহিলাৰ নিজৰ নামত সম্পত্তি খুউব কমেই থাকে। যদিও নিজা সম্পত্তি থাকে তাত তেওঁলোকৰ নিমন্ত্ৰণ খুউব কম পৰিমাণৰ হয়। আনকি কৰ্মৰত মহিলাৰ মাজতো পুৰুষৰ তুলনাত তেনেই নগণ্য সংখ্যক মহিলাৰ হে নিজৰ সম্পত্তি আছে। ইও মহিলাৰ অৱস্থানৰ ওপৰত প্ৰভাৱ পেলায়।

## 11.4.5. নৃশংস আইন আৰু অপৰাধ ঃ

মহিলাৰ বিৰুদ্ধে অপৰাধ আৰু তাৰ কঠোৰ আইন, মহিলাৰ সামাজিক অৱস্থানৰ বাবে এক শুভ সংকেত। যদিও মহিলা যিকোনো ধৰণৰ সাধাৰণ অপৰাধ যেনে ডকাইতি, ঠগ আদিৰ ভুক্তভোগী হ'ব পাৰে, মাথো যিবোৰ অপৰাধ 'বিশেষকৈ' মহিলাৰ বিপক্ষে হয় তেনেবোৰকহে 'Crimes agaimt women' বা 'মহিলাৰ বিৰুদ্ধে অপৰাধ' হিচাপে চিহ্নিত কৰা হৈছে। 'কন্যা শিশু ভ্ৰূণ হত্যা', শিশুক যৌন আতিশয্য, মহিলাৰ প্ৰতি ৰাজহুৱা স্থানত অসৎ আচৰণ, যৌন আতিশয্য, যৌতুক প্ৰথা, বাল্যবিবাহ, আত্মীয়ৰ দ্বাৰা যৌন আতিশস্য, ধৰ্ষণ, বঞ্চনা, অনৈতিক ব্যৱসায়ত লিপ্ত কৰা, বেশ্যাবৃত্তিলৈ ঠেলি দিয়া, বলপূৰ্বক গৰ্ভপাত কৰোৱা, বলপূৰ্বক কোনো কাৰ্যত লিপ্ত কৰোৱা, জনন অংশ উঠাই দিয়া, অমাৰ্জিত (যৌন সম্পৰ্কীয়) আচৰণ, গোপনে অনুসৰণ কৰা, ঘৰুৱা হিংসা আদি হৈছে মহিলাৰ বিৰুদ্ধে হোৱা সাধাৰণ অপৰাধ। NCRB (National Crime Records Bureau ৰাষ্ট্ৰীয় অপৰাধ তালিকাভুক্ত সংস্থা)য়ে 2005 চনত দিয়া এক পৰিসংখ্যা মতে

টোকা

প্ৰতি 29 মিনিটত এটাকৈ ধৰ্ষণ কাৰ্য, প্ৰতি 15 মিনিটত এটাকৈ যৌন আতিশয্য, প্ৰতি 53 মিনিটত এটা যৌন নিৰ্যাতন, প্ৰতি 14 মিনিটত একোটাকৈ মহিলা হত্যাকাণ্ড, প্ৰতি 9 মিনিটত একোটাকৈ হিংসাত্মক ঘটনা আৰু প্ৰতি 77 মিনিটত একো গৰাকীকৈ মহিলা যৌতুকৰ বাবে মৃত্যুবৰণ কৰে। অধিক জানিবৰ বাবে NCRB (National Crime Records Bureau of India) ৰ ৱেবচাইটত যোগাযোগ কৰিব পাৰে।

ঘৰুৱা হিংসা, যিবোৰ হিংসাত্মক ঘটনা ঘৰৰ চাৰিবেৰৰ মাজত ঘটে, এইবোৰক বৰ্ধিত ৰূপত লিংগ বৈষম্যৰ গুৰুত্বপূৰ্ণ ফলাফল হিচাপে স্বীকৃতি দিয়া হৈছে। উচ্চ শিক্ষা আৰু সম্পদ আৰু সম্পত্তিৰ আহৰণে ঘৰুৱা হিংসাৰ পৰিমাণ হ্ৰাস কৰে বুলি জানিব পাৰি। চৰকাৰে 2005 চনৰ ঘৰুৱা হিংসা প্ৰতিৰোধৰ বাবে এখন আইন বলবৎ কৰিছে।

শিকন অক্ষমতাৰ লগত অনেক কাৰক জড়িত হৈ থাকে। এই অক্ষমতাৰ মূল উৎস হৈছে বিশেষ স্নায়ৱিক বিকাৰ। ইয়াৰ ফলত শ্ৰৱণ, দৰ্শন বা স্থান সম্পৰ্কীয় অথবা ইহঁতৰ সংমিশ্ৰিত সংবেদন লব্ধ তথ্যৰ অৰ্থ লাভ বা প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়।

এষাৰ জনপ্ৰিয় কথা আছে যে সমাজত মহিলাৰ স্থানেই একোটা সভ্যতাৰ মাপকাঠি। যদিও আমাৰ সংস্কৃতি আৰু সমাজে সৃষ্টি কৰা শৃংখলাত মহিলা সাঙোৰ খায় পৰা দেখা যায়। মহিলা জড়িত হৈ পৰা বিভিন্ন চক্ৰবোৰ চিত্ৰ 8 ত দেখুওৱা হৈছে। আমি এনে প্ৰত্যাহ্বানবোৰ অতিক্ৰম কৰি, পুৰুষ আৰু মহিলা উভয়ৰে বাবে এখন সুন্দৰ নিকা সমাজ সৃষ্টি কৰিবলৈ উপায় বিচাৰিব লাগে।




চিত্ৰ 8 ঃমহিলা জড়িত, সমাজ আৰু সংস্কৃতিৰ বিভিন্ন চক্ৰসমূহ

**কাৰ্যকলাপ- 11.3**

I তলৰ প্ৰতিটো প্ৰশ্নৰ সঠিক উত্তৰ বিচাৰি চিহ্নিত কৰক।

1. তলৰ কোনটোৱে আমাৰ সমাজত মহিলাৰ অৱস্থানৰ কথা সূচীত নকৰে?

(a) সম্পত্তিৰ ওপৰত অধিকাৰ (b) শিক্ষা (c) মাতৃভাষাৰ জ্ঞান (d) যৌনতা অনুপাত



টোকা

2. যৌনতা অনুপাত সাংজ্ঞায়িত কৰা হয় ..........।

(a) প্রতি 1000 পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা

(b) প্রতি 10000 মহিলাৰ বিপৰীতে পুৰুষৰ সংখ্যা

(c) প্রতি 1000 মহিলাৰ বিপৰীতে পুৰুষৰ সংখ্যা

(d) প্রতি 10000 পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা

3. তলৰ কোনটো শুদ্ধ উক্তি?

(a) আমাৰ উন্নত ৰাজ্য কেইখনতো যৌনতা অনুপাত নিম্নগামী হৈছে।

(b) মহিলাৰ শিক্ষাৰ স্তৰ পুৰুষতকৈ অলপ উন্নত।

(c) উচ্চ বেতন বিশিষ্ট পদবীত পুৰুষতকৈ মহিলা অধিক দেখা যায়।

(d) গৰ্ভধাৰণৰ জটিলতা দূৰ কৰিবৰ বাবে ছোৱালী কম বয়সত বিবাহ হোৱাটো ভাল।

4. আমাৰ সমাজত মহিলাক এক পুতৌ লগা অৱস্থানলৈ পৰ্যবসিত কৰণৰ লগত তলৰ কোনটো জড়িত.......।

(a) অসুবিধা ভোগ কৰা (b) পক্ষপাতিত্ব (c) ক্ষমতাহীনতা (d) সকলোবোৰ

5. মহিলা সম্পৰ্কে তলৰ কোনটো উক্তি সত্য?

(a) নিম্নমানৰ শৈক্ষিক স্তৰে তেওঁলোকৰ পচন্দক বাধা প্রদান কৰে।

(b) ঘৰুৱা দায়বদ্ধতা আৰু প্ৰচলিত বিশ্বাসৰ ফলত নিম্নমানৰ শিক্ষা ব্যৱস্থা হয়।

(c) বাল্য বিবাহে অপৈণত গৰ্ভধাৰণ আৰু স্বাস্থ্যৰ অৱনতি আনে।

(d) ওপৰৰ সকলোবোৰ উক্তি সত্য।

6. তলৰ কোনটো উক্তি সঁচা?

(a) উচ্চ শিক্ষিত মহিলাই সুখী জীৱন কটাব নোৱাৰে।

(b) আনকি অনিয়োজিত মহিলাইও পৰোক্ষভাৱে দেশৰ অৰ্থনৈতিক উন্নতিলৈ অৱদান আগবঢ়ায়।

(c) মহিলা কৰ্মীয়ে পুৰুষৰ সমানেই বেতন পাবলৈ উপযুক্ত নহয়।

(d) শ্রমিকৰ লিংগ বৈষম্য আমাৰ দেশৰ অৰ্থনৈতিক উন্নতিৰ বাবে ভাল।

## 11.4.6. লিংগ বৈষম্যৰ প্রতিকাৰ ঃ

লিংগ বৈষম্যই পক্ষপাতমূলক ধ্যান ধাৰণাক সবল কৰে আৰু এখন অসুস্থ আৰু অসমতা ভৰা সমাজৰ উত্তৰণ ঘটায়। লিংগ বৈষম্যই ব্যক্তিক (ছোৱালী আৰু মহিলাক) তেওঁলোকৰ উচ্চাকাংক্ষা, সম্ভাবিতা বা সামৰ্থ্য অনুযায়ী সন্মান নজনায়। বিপৰীত ক্ৰমে ই ব্যক্তিৰ বিকাশ, জাতিৰ উন্নতি আৰু সমাজৰ উত্থানক মন্থৰিত কৰে। লিংগ সমতাই হৈছে অৰ্থনৈতিক আৰু মানৱীয় উত্তৰণৰ কেন্দ্ৰ স্বৰূপ। যেতিয়া পুৰুষ মহিলাৰ

টোকা

আপেক্ষিক সমতা থাকিব, তেতিয়াই অৰ্থনীতিৰ দ্ৰুত বিকাশ হয়, শিশুৰ স্বাস্থ্যৰ উন্নতি হয় আৰু সভ্যতাই তাৰ উচ্চ শিখৰত আৰোহণ কৰে। লিংগ সমতা হৈছে খুবেই প্ৰয়োজনীয় মানৱ অধিকাৰ। লিংগ অসমতা যিকোনো সমাজ ব্যৱস্থাৰ উন্নতিৰ এক হেঙাৰ স্বৰূপ, কাৰণ ই জনসংখ্যাৰ আধাখিনিৰে সুযোগক সীমাবদ্ধ কৰে। মানৱ জাতিৰ আধা সংখ্যক ব্যক্তিক বৈষম্যমূলকভাৱে সামাজিক আৰু অৰ্থনৈতিক সক্ৰিয়তাৰ পৰা আঁতৰত ৰাখি, আমি আমাৰ উদ্দেশ্যত উপনীত হোৱাটো অসম্ভৱ। মহিলাৰ মাজত লুকাই থকা সম্ভাৱনীয়তাক বাধাপ্ৰাপ্ত কৰাৰ ফলত সমাজে এই সকলো সাম্ভাব্য শক্তি হেৰুৱাই পেলায়। তাৰোপৰি একপ্ৰকাৰৰ অসমতাই অন্য এক প্ৰকাৰ অসমতাক যুক্তিযুক্ত কৰি পেলায় ফলস্বৰূপে সকলো ধৰণৰ সমতাৰ বাবেই যুদ্ধ কৰি নিৰ্মূল কৰিবলগীয়া হয়। লিংগ সমতাই উৎস লিংগকে দমন, চাপ আৰু প্ৰচলিত ধ্যান ধাৰণাৰ কবলৰ পৰা মুক্ত কৰি এক সুন্দৰ সামাজিক অনুক্ৰমৰ সৃষ্টি কৰে। আমি লিংগ বৈষম্যমুক্ত শিক্ষা প্ৰদান কৰাটো প্ৰয়োজন আৰু শিক্ষা ব্যৱস্থাত, লিংগ সম্পৰ্কীয় জ্ঞান আৰু সচেতনতাক সংহতভাৱে সন্নিবিষ্ট কৰাৰ সৎ প্ৰচেষ্টা ল'ব লাগে।

## 11.4.7. শ্ৰেণী কোঠাত লিংগ বৈষম্য ঃ

শিক্ষা ভিন ভিন লিংগৰ মাজৰ সম্পৰ্কে আৰু ক্ষমতাৰ পুনঃ সাংজ্ঞায়িতৰ ক্ষেত্ৰত এক প্ৰভাৱশালী আহিলা আৰু সেয়েহে ই সমাজ সংস্কৰণৰ কামো কৰিব পাৰে। যদিও বিদ্যালয়, শিক্ষক আৰু পাঠ্যক্ৰমে ল'ৰা আৰু ছোৱালীৰ মাজত অসমতা আৰু পক্ষপাতিত্ব বহন কৰি আহিছে। বিভিন্ন অধ্যয়নে দেখুৱাইছে যে (i) ল'ৰাই শিক্ষকৰ আকৰ্ষণ লাভ কৰে। (ii) ল'ৰাক শিক্ষকে প্ৰায়ে বহু পৰিমাণে প্ৰশংসা কৰে। (iii) ল'ৰাই শৈক্ষিক ক্ষেত্ৰত বহু সহায় লাভ কৰে। (iv) শ্ৰেণীকোঠাৰ আলাপ আলোচনাত শিক্ষকে ল'ৰাৰ ধাৰণা আৰু মতামত গ্ৰহণ কৰে। (v) ল'ৰাই পাৰস্পৰিক আলাপ আলোচনা কৰিবলৈ বহু সুবিধা পায়। (vi) ছোৱালীয়ে যেতিয়া, সমাজে বান্ধি দিয়া নীতি নিয়মৰ পৰা আঁতৰি যায়, শিক্ষকে তেওঁলোকক বৰ বেয়াকৈ সমালোচনা কৰে। (vii) শিক্ষকে ছোৱালীৰ পৰা শৈক্ষিক দিশত বহু কম প্ৰত্যাশা কৰে। (viii) লিংগ পক্ষপাত পাঠ্যক্ৰমৰ বিষয়বস্তুৰ অন্তৰ্ভুক্ত হোৱা সত্বেও কোনো ধৰণৰ প্ৰশ্নৰ অৱতাৰণা নকৰাকৈয়ে পাঠ্যক্ৰম চলাই যায়। (ix) শিক্ষকে বিদ্যালয়ৰ সম্পদসমূহ ল'ৰাৰ সুবিধা হোৱাকৈহে বিতৰণ কৰে। (x) শিক্ষক ছোৱালীৰ প্ৰয়োজনৰ প্ৰতি সচেতন নহয়। (xi)শিক্ষকে শ্ৰেণীকোঠাৰ বাহিৰত বা ভিতৰত যৌনগন্ধী ভাষা প্ৰয়োগ কৰে।

**নিৰপেক্ষতা আৰু সমতা ঃ** পুৰুষ আৰু মহিলা উভয়ৰে প্ৰতি সন্তোষজনক প্ৰক্ৰিয়াই হৈছে লিংগ নিৰক্ষেতা। সুস্থ আৰু নিকা বাতাবৰণ এটা নিশ্চিত কৰিবলৈ, সঠিক পদক্ষেপেৰে, ঐতিহাসিক আৰু সামাজিক আসোঁৱাহসমূহ নিৰ্মূল কৰি এখন প্ৰভেদ বিহীন ক্ষেত্ৰ সৃষ্টি কৰিব লাগিব। নিৰপেক্ষতা হৈছে, সমতা আৰু ন্যায়নিষ্ঠ ফলাফল পাবৰ বাবে এক উপায়।



টোকা

পক্ষপাত আৰু অসমতা শিশুৰ বিকাশ আৰু শিকনত ধ্বংসকাৰক। এইবোৰে শিক্ষাৰ প্ৰতি শত্ৰুতা, বহিষ্কৰণ, বিদ্যালয়ত নিম্নমানৰ পাৰদৰ্শিতা, অকৃতকাৰ্যতা আৰু হতাশাৰ সৃষ্টি কৰে।

## 11.4.8. লিংগ পক্ষপাত মুক্ত সমাজ গঠনত শিক্ষকৰ ভূমিকা ঃ

'শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি 1986'ৰ মতে, শিক্ষাক মহিলাৰ সামাজিক অৱস্থানৰ আমূল পৰিবৰ্তনৰ উপাদান হিচাপে ব্যৱহাৰ কৰা হ'ব। অতীতৰ পৰা থূপ খাই থকা বিকৃতিসমূহ নোহোৱা কৰিবৰ বাবে মহিলাৰ সপক্ষত ই এক সুদক্ষ হাতিয়াৰ হ'ব। ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাটোৱে, মহিলা সবলীকৰণৰ ক্ষেত্ৰত, এক ধনাত্মক দিশত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিব। ই পাঠ্যক্ৰম, পাঠ্যপুথিৰ পুনৰ নিৰ্মাণ, শিক্ষকৰ প্ৰশিক্ষণ আৰু উন্মোসীকৰণ, সিদ্ধান্ত গ্ৰহণকাৰী ব্যক্তি আৰু প্ৰশাসক আৰু শিক্ষানুষ্ঠানসমূহৰ সক্ৰিয় অংশগ্ৰহণত উৎসাহ যোগোৱাৰ জৰিয়তে নতুন মূল্যবোধৰ উত্তৰণ ঘটাব। ই এক বিশ্বাস আৰু সমাজ আভিযান্ত্ৰিকৰ কাম কৰিব।

ওপৰৰ কথাখিনিৰ পৰা কিছু প্ৰশ্ন আহিব পাৰে। আমাৰ শৈক্ষিক প্ৰক্ৰিয়াবোৰে পৰিবৰ্তনৰ দিশে ধাৰমান কৰা হৈছেনে? আমাৰ শিক্ষানুষ্ঠানসমূহে সমাজ সংস্কৰণৰ ক্ষেত্ৰ আগুৱাই নিব পাৰিছে নে? আমাৰ শিক্ষানুষ্ঠানসমূহ নিজৰ দায়বদ্ধতাৰ প্ৰতি সচেতন হয় নে আৰু অনুষ্ঠানবোৰে গ্ৰহণ কৰা পদ্ধতিসমূহ উভয় লিংগৰ বাবে সুবিধাজনক কৰিব পৰাকৈ বা শিকন অভ্যাসন সমূহৰ সবলীকৰণৰ বাবে উপযুক্ত /প্ৰয়োজনীয় সম্বল আছে নে? লিংগ সচেতনতাৰ অভাৱ আৰু লিংগ পক্ষপাতৰ খোপনি ধৰা শিক্ষকসকল নিজেই একোটা সমস্যা। বিদ্যালয়ৰ সহযোগ আৰু লিংগ সচেতন শিক্ষকৰ দায়বদ্ধতাৰ জৰিয়তে এই আসোঁৱাহ দূৰীকৰণ সম্ভৱ হ'ব। শিক্ষকে ব্যক্তিগতভাৱে বা সমূহীয়াভাৱে জ্ঞানৰ বিকাশ, দক্ষতা, চিন্তাৰ দৃষ্টিভংগী সুচল কৰা আৰু এখন সম অধিকাৰযুক্ত সমাজত পুৰুষ মহিলা উভয়ৰে বাবে সুস্থ আৰু ফলদায়ক জীৱনৰ সহযোগিতা আগবঢ়াব লাগে। ইয়াৰ বাবে লিংগ সচেতনতা প্ৰয়োজন হয়।

ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল তথা সমসাময়িক সমাজখনত তেওঁলোকৰ ভূমিকাৰ ওপৰত, তেওঁলোকৰ শিক্ষকে তেওঁলোকক কেনে লিংগজনিত ব্যৱহাৰ কৰিছে তাৰ গভীৰ প্ৰভাৱ পৰে। প্ৰচলিত লিংগজনিত সম্পৰ্ক আৰু পুৰুষ মহিলাৰ ধাৰণাৰ ওপৰত প্ৰশ্ন কৰাৰ ক্ষেত্ৰত শিক্ষা পদ্ধতিসমূহ ৰূপান্তৰকাৰী হ'বই লাগিব।

গতিকে বিদ্যালয়ে এনে এখন ঠাই হিচাপে সেৱা আগবঢ়াব লাগিব, য'ত ছাত্ৰ-ছাত্ৰীৰ, ল'ৰা আৰু ছোৱালী উভয়ৰে প্ৰশ্ন কৰা বা তৰ্কযুদ্ধ কৰাৰ, নতুন দৃষ্টিভংগী দেখা পোৱা আৰু নতুন পৰিচয় আৰু সম্পৰ্ক গঠন কৰাৰ সুযোগ থাকিব লাগে। সেয়েহে শিক্ষকৰ ভূমিকা অলপ সংকটজনক হ'ব। ল'ৰা আৰু ছোৱালীৰ মাজৰ সামাজিক সম্পৰ্ক গঢ়োতা হিচাপে, শ্ৰেণীকোঠাৰ বাহিৰে ভিতৰে শিক্ষকে এক প্ৰভাৱশালী ভূমিকা পালন কৰিব পাৰে। তেওঁলোকে লিংগজনিত সম্পৰ্কৰ পুনৰ নিৰ্মাণৰ বাবে সমালোচনাত্মকভাৱে প্ৰভাবান্বিত কৰে আৰু লিংগ সমতাৰ উত্তৰণৰ বাবে কাম কৰিব পাৰে। য'ত নেকি

টোকা

এইটোও সঁচা যে শিক্ষকসকলে সমাজত চলি থকা সকলো লিংগ অসমতা নোহোৱা কৰিব পাৰে আৰু তেওঁলোকে নিশ্চিত ভাবেই লিংগ বৈষম্যক পৰাজিত কৰিবলৈ উল্লেখযোগ্য ফলাফল লাভ কৰিব। তেওঁলোকে শ্ৰেণীকোঠাত লিংগ বৈষম্য পৰিহাৰ কৰিবলৈ এক সচেতন প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰে। শিক্ষকসকলে খুউব সক্ৰিয়ভাৱেই, শিক্ষণৰ, শ্ৰেণীকোঠা পৰিচালনা, সম্পদৰ বিতৰণ আৰু শ্ৰম বিভাজনৰ পক্ষপাত আৰু অসমতা নোহোৱা কৰিব পাৰে। ইয়াত লিংগ পক্ষপাত দূৰ কৰিবলৈ আৰু লিংগ সমতাৰ উত্তৰণৰ বাবে শিক্ষকসকলে সচেতনতাৰে পালন কৰিবলগীয়া কিছু পদক্ষেপ দিয়া হ'ল—

**আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস ঃ** আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস প্ৰতি বছৰে মাৰ্চ মাহৰ চাৰি তাৰিখে বিশ্বজুৰি পালন কৰা হয়। এই দিৱসে মহিলাৰ বিকাশৰ বাবে, সম আচৰণ আৰু সুবিধা বিচাৰি কৰা সংগ্ৰামক চিহ্নিত কৰে। এইটো এনে এটা দিন য'ত পুৰুষ মহিলাক এখন লিংগ বৈষম্য নথকা সুন্দৰ সমাজ সৃষ্টি কৰিবলৈ তেওঁলোকৰ দায়বদ্ধতাক আকৌ এবাৰ মনত পেলায় দিয়া হয়। ক্লাৰা জেটক্লিন এগৰাকী জাৰ্মান সমাজবাদী গুৰি ধৰোতা এই IWD পালনৰ মূল হোতা। আপুনি বিদ্যালয়ত এই দিৱস পালন কৰে নে?

- শিক্ষকে শ্ৰেণীকোঠাৰ বাহিৰে ভিতৰে সকলোতে নিজকে লিংগ পক্ষপাত নথকা ব্যক্তি হিচাপে পৰিচালিত কৰিব লাগিব।
- লিংগ পক্ষপাত আৰু বৈষম্য চিহ্নিত আৰু নোহোৱা কৰিবলৈ, শিশুৰ আৰু লগতে নিজৰ আচৰণ খুব সতৰ্কভাৱে পৰ্যবেক্ষণ কৰিব লাগিব।
- তেওঁলোকে লিংগ পক্ষপাতমূলক ভাষা ব্যৱহাৰ কৰিব নালাগিব। তেওঁলোক লিংগ পক্ষপাত নথকা ভাষা ব্যৱহাৰ কৰিব লাগিব আৰু ছাত্ৰ-ছাত্ৰীকো তেনে কৰিবলৈ উৎসাহিত কৰিব লাগিব।
- দলীয় কামকাজত ল'ৰা ছোৱালীৰ ঐক্যতাৰ উত্তৰণৰ বাবে বা তেওঁলোকক একেলগে বহুৱাবৰ বাবে পদক্ষেপ ল'ব লাগে।
- শিক্ষকে ল'ৰা আৰু ছোৱালীক বেলেগ বেলেগ কাম অৰ্থাৎ লিংগভেদে কাম বিতৰণ কৰিব নালাগে। উদাহৰণ স্বৰূপে চাফাই কৰ্মত কেৱল ছোৱালী আৰু বস্তুপাতি কঢ়িওৱা কামত ল'ৰাক নিয়োগ কৰা বা কিছুমান বিশেষ কাম ল'ৰাৰ বাবে ৰখাৰ দৰে প্ৰৱণতা পৰিহাৰ কৰা উচিত। প্ৰতিটো কামৰ বাবে মিশ্ৰিত দল গঠন কৰি দিব লাগে।
- শিক্ষকে ল'ৰা আৰু ছোৱালী উভয়ৰে পৰা সমানে প্ৰত্যাশা কৰিব লাগে। ল'ৰাৰ পৰা কঠিন আৰু ৰূঢ় কাম আশা কৰা আৰু ছোৱালীৰ পৰা সহজ আৰু নৰম কামবোৰ আশা কৰা অনুচিত। তেওঁলোকে ছোৱালীসকলক প্ৰতিযোগিতাৰ পৰা আঁতৰত ৰাখিব আৰু ল'ৰাক কঠিনতৰ খেলবোৰ খেলিবলৈ অনুমতি দিব, এনে কেতিয়াও হ'ব নালাগে। শিক্ষকে শ্ৰেণীত সকলোৰে লগত তেওঁলোক ওপৰত থকা প্ৰত্যাশাবোৰৰ বিষয়ে আলোচনা কৰিব লাগে আৰু এইটো মুকলিকৈ ক'ব লাগে যে লিংগই তেওঁলোকক ক'তো বাধাৰ সৃষ্টি নকৰে।



টোকা

- শিক্ষকে পাঠ্যক্রমটো এক লিংগ সচেতন আৰু লিংগ পক্ষপাত মুক্ত পদ্ধতিৰে মোকাবিলা কৰিব লাগে। শিক্ষকে নিজকে ল'ৰা-ছোৱালী উভয়ৰে প্ৰতি লিংগ পক্ষপাতমুক্ত আদৰ্শ ব্যক্তি হিচাপে উপস্থাপন কৰিব লাগে।
- শিক্ষকে 'সাফল্যত লিংগ পাৰ্থক্য' নোহোৱা কৰিবৰ বাবে আগতীয়া ভূমিকা ল'ব লাগে। লিংগৰ ধাৰণা সলনি কৰিয়ে এনে কৰিব পাৰি। লিংগ পাৰ্থক্য নোহোৱা কৰিবৰ বাবে তেওঁলোকে সম পৰ্যায়ৰ মাপাংকন কৰিবলৈ কুণ্ঠাবোধ কৰিব নালাগে। শিক্ষকে কেতিয়াও, লিংগ পক্ষপাত আৰু বৈষম্যৰ উদাহৰণ আলোচনালৈ আনিব পৰা কোনো সুযোগ এৰি দিব নালাগে আৰু শিশুক ল'ৰা-ছোৱালীৰ মাজত থকা ধাৰণাক প্ৰত্যাহ্বান জনাবলৈ সহায় কৰিব লাগে।
- শিক্ষকে ছোৱালীক তেওঁলোকৰ মনত বাঁহ লোৱা সীমাবদ্ধতাবোৰ দূৰ কৰিবলৈ আৰু একেধৰণেৰে শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াবোৰত একে প্ৰচেষ্টাৰে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব লাগে। তেওঁলোকৰ ভুল বা অশুদ্ধ উত্তৰৰ বাবে কেতিয়াও অযথা সমালোচনা কৰিব নালাগে।
- নেতৃত্ব আৰু অন্যান্য ছাত্ৰ সুলভ দায়বদ্ধতাৰ বাবে সমনীয়া আৰু শিক্ষকৰ পৰা সন্মান লাভ কৰে আৰু এইবোৰে সফলতা, আত্মবিশ্বাস আৰু আত্ম সন্মানৰ কাৰক। শিক্ষকে এই প্ৰক্ৰিয়াবোৰ এনেদৰে উপস্থাপন কৰিব লাগে যাতে ছোৱালীবোৰৰ স্ব-প্ৰতিবিম্ব আৰু আত্মসন্মান একে মাপেৰে প্ৰৱল হয়।
- বহু ছোৱালীয়ে বিদ্যালয় বা পুথিভঁৰাল আদি (নিৰ্দেশাত্মক আহিলা) বোৰৰ সুবিধা সমূহ উপভোগ কৰিবলৈ উদগণি নাপায় বা দিয়া নহয় অথবা মুকলিমুৰীয়াকৈ ল'ব নোৱাৰে। চালচলন আৰু সমল ব্যৱহাৰৰ ক্ষেত্ৰত বাধা হৈছে ক্ষমতা নিয়ন্ত্ৰণ আৰু সমব্যৱহাৰ প্ৰত্যাশাৰ এক সবল পাঠ। বিদ্যালয়ত সকলো কাৰ্যকলাপতে ল'ৰাৰ দৰেই ছোৱালীয়েও সুবিধাজনক পৰিৱেশ পাব পৰাত শিক্ষকৰ দায়বদ্ধতা আছে। সম্পূৰ্ণ শিক্ষা ব্যৱস্থাটো উপলব্ধ কৰিবলৈ প্ৰত্যেক ল'ৰা আৰু ছোৱালীৰে সমান অধিকাৰ আছে।
- আজিৰ ছোৱালী আৰু ভৱিষ্যতৰ মহিলাক ল'ৰাৰ সমানে বিভিন্ন জীৱিকাৰ বাবে সাজু কৰি তুলিব লাগে। ছোৱালীৰ জীৱিকা উত্তৰণৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা পালনীয়।
- ছাত্ৰ আৰু পুৰুষ শিক্ষকৰ দ্বাৰা ছোৱালীক কৰা মৌখিক আৰু শাৰীৰিক আতিশয্য এক বিশ্বজোৰা সমস্যা। যৌনগন্ধী বাক্যবাণ, অত্যাচাৰ আৰু বাবুকি আদিয়ে প্ৰায়ে ছোৱালীক বিদ্যালয়ৰ কাৰ্যকলাপত মুক্তভাৱে অংশগ্ৰহণ কৰাৰ পৰা দূৰত ৰাখে আৰু ই বাধাৰূপে থিয় দিয়ে। শিক্ষকে, বিদ্যালয়ত ছোৱালীয়ে পূৰ্ণপৰ্যায়ত অংশগ্ৰহণ কৰিব পৰাকৈ একোটা পৰিৱেশ নিশ্চিত কৰিব লাগে।
- দেশৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক বিকাশৰ বাবে মহিলাৰ মৰ্যাদাপূৰ্ণ অৰিহণা আৰু সাফল্যৰ ক্ষেত্ৰত শিক্ষকৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁলোকৰ

টোকা

অৰিহণাক উচিত মৰ্যাদা আৰু স্বীকৃতি দিব লাগে। আন্তৰ্জাতিক মহিলা দিৱস, নেতৃস্থানীয় মহিলাৰ, মহিলা বিজ্ঞানীসকলৰ জন্ম দিৱস পালন আদিয়ে, ল'ৰা আৰু ছোৱালীৰ মনত মহিলাৰ প্ৰতিচ্ছবি উত্তৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা ঃ**

1. তলত কিছুমান শব্দ দিয়া হৈছে। সেইবোৰক উপযুক্ত লিংগ নিৰপেক্ষ শব্দলৈ ৰূপান্তৰ কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

| লিংগ পক্ষপাতযুক্ত শব্দ | লিংগ নিৰপেক্ষ শব্দ |
|---|---|
| কংগ্ৰেছ মেন | |
| মেন পাৱাৰ, লেণ্ড লৰ্ড | |
| হাউছ ৱাইফ | |
| পোষ্টমেন | |
| স্পৰ্টছ মেন | |
| চেয়াৰ মেন | |
| মেন মেড | |
| ক্লিনিং লেডী | |
| ৱৰ্কিং মেন | |

2. তলত দিয়াবিলাকৰ পৰা সঠিকভাৱে বাছনি কৰি প্ৰশ্নসমূহৰ উত্তৰ কৰক ঃ

I. তলৰ কোনটোৱে স্কুল ব্যৱস্থাত লিংগ পক্ষপাত আৰু লিংগ অসমতাৰ সৃষ্টি কৰে?

(a) পাঠ্যপুথিত উল্লেখ কৰা পুৰুষ আৰু মহিলা সম্পৰ্কীয় ভুল ধাৰণা

(b) ছোৱালীৰ বিপক্ষে পক্ষপাত কৰা শিক্ষণ অভ্যাসন।

(c) ছোৱালী আৰু ল'ৰাৰ বাবে পৃথক স্কুলীয়া সাজ-পোছাক।

(d) এইবোৰৰ সকলো।

II. তলৰ কোনটো লিংগ পক্ষপাতমূলক ভাষা নহয়?

(a) পুৰুষ সদৃশ

(b) নাৰীৰ দৰে কোমল

(c) ছোৱালী সদৃশ

(d) মানৱীয়



টোকা

III. শিক্ষকে কোৱা তলৰ কোনটো উক্তি লিংগ পক্ষপাতমূলক নহয়?

(a) ছোৱালী হোৱা সত্ত্বেও তুমি কিয় তোমাৰ কামত ইমান অপৰিপাটী।

(b) মুঠৰ পেৰত তেওঁ ল'ৰা। তেওঁ ইয়াৰ পৰা সাৰি যাব পাৰিব।

(c) ল'ৰা আৰু ছোৱালী উভয়ৰে বাবে এইটো অতি দৰকাৰী যে তেওঁলোক গণিতৰ লগতে সকলো বিষয়তে আগবাঢ়ি যাব লাগিব।

(d) ল'ৰাবোৰে আচবাব পত্ৰবোৰ কোঠাৰ বাহিৰলৈ উলিয়াই দিব আৰু ছোৱালীবোৰে চাফা কৰিব।

2. তলৰ উক্তিবোৰত লিংগ বৈষম্যৰ এটা উপাদান আছে। তাক চিনাক্ত কৰি, পক্ষপাতমুক্ত কৰি শুধৰাই লিখক—

(a) বিদ্যালয় উন্নয়ন আৰু পৰ্যবেক্ষণ সমিতিৰ 'চেয়াৰমেন'এ পিতৃ-মাতৃক সম্বোধন কৰিছিল।

(b) এজন বিজ্ঞানীয়ে প্ৰকৃত অধ্যয়নৰ বাবে আগ্ৰহী। তেওঁ প্ৰাকৃতিক পৰিঘটনা সমূহক পৰিচালনা কৰা নীতিসমূহক জানিবলৈ চেষ্টা কৰে।

(c) প্লাষ্টিক আৰু চিমেণ্ট হৈছে মেন-মেডু পাদানৰ উদাহৰণ।

(d) পুৰুষে পথাৰত কাম কৰে আৰু মহিলাই ৰন্ধা বঢ়া আৰু সন্তান চোৱাচিতা কৰে।

## 11.5 সংক্ষিপ্তাৱলী ঃ

যৌনতা (sex) প্ৰকৃতিয়ে দিয়া আৰু লিংগ (Gender) সমাজ আৰু সংস্কৃতিয়ে সৃষ্টি কৰা। লিংগ বৈষম্যই পুৰুষ মহিলা উভয়কে প্ৰভাৱ পেলাব পাৰে। যদিওবা বৰ্তমান কালত প্ৰবলভাৱে মহিলাৰ বিপক্ষে দেখা যায়। মহিলাৰ মৰ্যাদা কিছু সংখ্যক নিৰ্দেশকেৰে যেনে, শিক্ষাৰ স্তৰ, যৌনতা অনুপাত, জননীৰ মৃত্যু, কন্যা শিশুৰ মৃত্যু, মানৱ সম্পদত অংশগ্ৰহণ, ভূমি আৰু সম্পত্তিৰ মালিকীস্বত্ব, ৰাজনীতিত অংশগ্ৰহণ আৰু তেওঁলোকৰ ওপৰত হোৱা হিংসা আৰু অপৰাধ, আদিৰে জোখা হয়। লিংগ পক্ষপাত আৰু বৈষম্যৰ এক দীঘলীয়া ইতিহাস আছে আৰু আমি আজি যি দেখা পাইছো এয়া অতীতৰ পৰা স্তূপীকৃত হোৱা বিকৃতি মাথোঁ। লিংগ বৈষম্যই বেলেগ বেলেগ ৰূপ ল'ব পাৰে আৰু বিভিন্ন সামাজিক অনুষ্ঠানসমূহৰ জৰিয়তে সংঘটিত হ'ব পাৰে। লিংগ অসমতাই ব্যক্তি, পৰিয়াল, সমাজ, অৰ্থনীতি আৰু মানৱ জাতিৰ উত্তৰণত প্ৰভাৱ পেলায়। লিংগ অসমতা দূৰীকৰণ কৰিব পাৰি আৰু ইয়াক দূৰ কৰিব লাগে। লিংগ পুনঃগঠন আৰু সামাজিক ৰূপান্তৰ বা সংস্কাৰৰ ক্ষেত্ৰত শিক্ষকসকলৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

## 11.6 অগ্ৰগতি পৰীক্ষা ঃ

**অগ্ৰগতি পৰীক্ষা কৰক- (11.3 অংশৰ)**

1. সঁচা অথবা মিছা

(a) মিছা (b) সঁচা (c) সঁচা

টোকা

(d) মিছা (e) সঁচা (f) মিছা

2. লিংগ আৰোপণ/জৈৱিক আৰোপণ

(a) লিংগ আৰোপণ

(b) জৈৱিক আৰোপণ

(c) জৈৱিক আৰোপণ

(d) লিংগ আৰোপণ

(e) লিংগ আৰোপণ

(f) লিংগ আৰোপণ

(g) জৈৱিক আৰোপণ

(h) লিংগ আৰোপণ

(i) লিংগ আৰোপণ

(j) লিংগ আৰোপণ

(k) লিংগ আৰোপণ

**অগ্ৰগতি পৰীক্ষা কৰক- (11.4 অংশ)**

I. সঁচা অথবা মিছা

(1) সঁচা (2) মিছা (3) সঁচা (4) মিছা

(5) সঁচা (6) সঁচা (7) মিছা (8) মিছা

II. তলত দিয়াবোৰ লিংগ বৈষম্যৰ উদাহৰণ হয় নে নহয়?

(1) লিংগ বৈষম্যৰ কাৰক। (2) লিংগ বৈষম্যমূলক নহয়।

(3) লিংগ বৈষম্যমূলক নহয়। (4) লিংগ বৈষম্যৰ কাৰক।

(5) লিংগ বৈষম্যৰ কাৰক। (6) লিংগ বৈষম্যমূলক নহয়।

(7) লিংগ বৈষম্যমূলক নহয়। (8) লিংগ বৈষম্যৰ কাৰক।

III. 1. (b) 2. (c) 3. (d)

**অগ্ৰগতি পৰীক্ষা কৰক- (11.5 অংশ)**

1. (c) 2. (a) 3. (b) 4. (d) 5. (d) 6. (b)

**অগ্ৰগতি পৰীক্ষা কৰক- (11.5 অংশ)**

1. কংগ্ৰেছ মেন — কংগ্ৰেছ পাৰ্ছন


টোকা

2. মেন পাৱাৰ — হিউমেন পাৱাৰ

3. লেণ্ড লৰ্ড — লেণ্ডহল্ডাৰ

4. হাউছ ৱাইফ — হম মেকাৰ

5. পোষ্টমেন — পোষ্ট পাৰ্ছন

6. স্প'ৰ্টছ মেন — স্প'ৰ্টচ পাৰ্ছন

7. চেয়াৰ মেন — চেয়াৰ পাৰ্ছন

8. মেন মেড — হিউমেন মেড

9. ক্লিনিং লেডী — ক্লিনিং ষ্টাফ

10. ৱৰ্কিং মেন — ৱৰ্কিং পিপ'ল।

2. (i) d (ii) d (ii) c

3. (a) বিদ্যালয় উন্নয়ন আৰু পৰ্যবেক্ষণ সমিতিৰ 'চেয়াৰ পাৰ্ছনে' পিতৃ-মাতৃক সম্বোধন কৰিছিল।

(b) এজন বিজ্ঞানী প্ৰতি অধ্যয়নৰ লগত জড়িত। তেওঁ (He/She) প্ৰাকৃতিক পৰিঘটনাসমূহক পৰিচালনা কৰা নীতিসমূহক জানিবলৈ চেষ্টা কৰে।

(c) প্লাষ্টিক আৰু চিমেণ্ট হৈছে মেন এণ্ড ৱ'মেন মেড।

(d) পুৰুষ আৰু মহিলাই পথাৰত কাম কৰে আৰু তেওঁলোক উভয়েই ৰন্ধা বঢ়া আৰু সন্তান চোৱা চিতা কৰে।

## 11.7 প্ৰকল্প কাৰ্য আৰু প্ৰশ্নাৱলী ঃ

1. আপুনি পাঠদান কৰা পাঠ্যপুথি এখনত থকা, কোনো চিত্ৰ, টোকা আৰু ভাষাত যদি কিবা লিংগ পক্ষপাতিত্ব আছে তাক চিনাক্ত কৰি আপোনাৰ পৰ্যবেক্ষণৰ এটা টোকা যুগুত কৰক।

2. যিকোনো এদিনৰ বাতৰি কাকত এখন লৈ তাত থকা লিংগ পক্ষপাতিত্বমূলক লিখা, ছবি বা ভাষা চিনাক্ত কৰক। যদি তেনে কোনো আসোঁৱাহ পাইছে আপুনি তাক কিদৰে সলনি কৰিব খুজিব?

3. বাতৰি কাকতত দেখা পোৱা ছবি আৰু শিৰোনামক লৈ আমাৰ সমাজত মহিলাৰ অৱস্থান চিহ্নিত কৰিবলৈ এখন টোকাবহী তৈয়াৰ কৰক।

4. লিংগ বৈষম্যৰ ওপৰত প্ৰশ্ন তোলা আৰু লিংগ সমতা উত্তৰণৰ বাবে শ্ল'গান আৰু উক্তি সংগ্ৰহ কৰক।



টোকা

## 11.8 অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি ঃ


1. Report of National Focus Group on Gender issues in education, NCERT, 2005
2. Gender Sensitivity: A training Manual, UNESCO, 2004
3. Girls' Education in the 21st Century: Gender Equality, Empowerment, and Economic Growth, World Bank, 2004.
4. UNICEF - Girls' Education [www.unicef.org/girlseducation]
5. UNESCO Education for All [http://www.unesco.org/education/efa/]
6. The United Nations Girls' Education Initiative (UNGEI) [http://www.ungei.org/]
7. Sarva Shiksha Abhiyan, MHRD, Govt. of India [http://ssa.nic.in/news/girlseducation- in-india]


## 11.9 গোটৰ অন্তিম অনুশীলন ঃ

1. যৌনতা আৰু লিংগৰ পাৰ্থক্য লিখা।
2. আপোনাৰ শ্ৰেণীৰ ল'ৰা আৰু ছোৱালীৰ মাজৰ লিংগ বৈষম্যৰ এখন তালিকা প্ৰস্তুত কৰক। দুয়োটা ভাগৰ বাবে প্ৰযোজ্য হোৱাকৈ এখন নিৰ্দেশনামূলক আঁচনি প্ৰস্তুত কৰক।
3. লিংগ বৈষম্য কি? দুটা উদাহৰণ দিয়ক।
4. অতি কমেও চাৰিটা নিৰ্দেশকৰ ওপৰত আধাৰ কৰি আমাৰ সমাজত মহিলাৰ অৱস্থানৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।
5. ছোৱালীৰ প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ পথত অহা প্ৰধান সামাজিক বাধাবোৰ কি?
6. শিক্ষক হিচাপে আপোনাৰ অভিজ্ঞতাৰ ওপৰত আধাৰ কৰি, শিক্ষণ ব্যৱস্থাত কিদৰে তেওঁলোক লিংগ সমস্যাসমূহ উপস্থাপন কৰিব তাৰ পাঁচটা পথ দেখুৱাওক। শিক্ষক হিচাপে আপুনি তেওঁলোকক তাৰ পৰা আঁতৰাই আনিবলৈ কি কৰিব?
7. বিদ্যালয়ত বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰিবলৈ যাওঁতে কিছু সমস্যাৰ সৃষ্টি হয়। শিক্ষক হিচাপে এই পৰিস্থিতিসমূহ ছোৱালীৰ সপক্ষে, কিদৰে একেবাৰে নষ্ট হৈ যোৱাৰ পৰা বচাব?

   (a) বিদ্যালয়ে শিশুসকলক লৈ এটা শিক্ষামূলক ভ্ৰমণ আয়োজন কৰিছে। কিছু অভিভাৱকে তেওঁলোকৰ ছোৱালী পঠাবলৈ অমান্তি হৈছে।



টোকা

(b) এজনী ছোৱালীক তাইৰ সহপাঠীসকলে বলপূৰ্বকভাৱে ব্যৱহাৰ কৰে।

(c) স্কুল এখনত পঢ়ি থকা ছোৱালীখিনিক মাথোঁ indoor gameহে খেলিবলৈ দিয়া হয়।

(d) আপোনাৰ শ্ৰেণীৰ কেইগৰাকীমান ছাত্ৰীয়ে গণিতত ভাল কৰা নাই।

(e) শ্ৰেণীৰ কিছুমান ল'ৰাই ছোৱালী সম্পৰ্কত অসন্মানজনক ভাষা প্ৰয়োগ কৰে।

(8) ছোৱালী আৰু মহিলাৰ প্ৰতি বৈষম্যক বিশেষাধিকাৰ দিব পৰা কিছুমান সামাজিক অনুশীলন তালিকাভুক্ত কৰক।

(9) আপোনাৰ শ্ৰেণীকোঠা লিংগ বৈষম্যমুক্ত কৰিবলৈ কি ব্যৱস্থা কৰিব লাগিব বৰ্ণনা কৰক।